
لَا اِلٰهَ اِلَّا اللّٰهُ مُحَمَّدٌ رَّسُوْلُ اللّٰهِ

# আহমদীয়তৰ পয়গাম


হজৰত মির্জা বশিৰ উদ্দিন মাহমুদ আহমদ
খলিফাতুল মছীহ ছানি (দ্বিতীয়) আল মুচলেহ
মাওউদ (ৰাঃ)

# আহ্মদীয়তৰ পয়গাম

লিখক
হজৰত মির্জা বশ্বিৰ উদ্দিন মাহমুদ আহ্মদ
খলিফাতুল মছীহ ছানি (ৰাঃ)

| | |
|---|---|
| নাম কিতাপ | আহ্মদীয়তৰ পয়গাম |
| মূল কিতাপ | আহমদীয়াত কা পয়গাম |
| লিখক | হজৰত মির্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ<br>খলিফাতুল মছীহ ছানি (ৰাঃ) |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা<br>(ইনচার্জ অসমীয়া ডেস্ক) |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| প্ৰথম প্ৰকাশ | ২০২২, ৫০০ কপি |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ ১৪৩৫১৬ পঞ্জাৰ |

| | |
|---|---|
| **Name Book** | **Ahmadayyatar Paigam** |
| **Original Book** | **Ahmadiyyat ka Paigam** |
| **Author** | **Hazrat Mirza Bashir-uddim Mahood<br>Ahmed Khalifatul masaih sani(ra)** |
| **Translated by** | **Mozibar Rahman ( Muballighe Silsila)<br>(Incharge Assamese Desk)** |
| **Published by** | **Nazarat Nashr-O-Ishaat Qadian** |
| **First Published** | **2022, 500 Copies** |
| **Printed at** | **Fazle Umar Printing Press Qadian<br>Dist : Gurdaspur,Pin 143516 (Punjab)** |

# প্ৰকাশকৰ কথা

হজৰত খলিফাতুল মছীহ ছানি (দ্বিতীয়)(ৰাঃ)ৰ লিখিত **আহমদীয়াত কা পয়গাম** পুস্তকখন উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলাছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আব্দুৰ ৰহিম মাষ্টাৰ চাহাব তাপাজুলি, মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় শ্বাহজাহান আলী চাহাব মুৰাল্লিম ছিলছিলা,মাননীয় আমান আলি চাহাব মুবাল্লিগ ছিলছিলা। ইয়াৰ ওপৰিও যিসকলে পুস্তকখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়াইছে আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

| ক্র.নং | সূচীপত্র | পৃঃ |
|---|---|---|
| ১ | আহমদী কোনো নতুন ধৰ্ম নহয় | ৭ |
| ২ | খাতামে নবুয়ত সম্পৰ্কে আহমদীসকলৰ আকিদা (বিশ্বাস) | ১৩ |
| ৩ | কোৰ-আন কৰীম | ১৪ |
| ৪ | আহমদীসকলৰ ফিৰিস্তাবিলাকৰ সম্পৰ্কে আকিদা (বিশ্বাস) | ১৫ |
| ৫ | নিজাত (মুক্তি) সম্পৰ্কে আহমদীসকলৰ আকিদা (বিশ্বাস) | ১৭ |
| ৬ | আহমদীসকলৰ হাদীছৰ ওপৰত বিশ্বাস | ১৯ |
| ৭ | আহমদীসকলৰ তকদিৰ (ভাগ্য) সম্পৰ্কে আকিদা (বিশ্বাস) | ২২ |
| ৮ | আহমদীসকলৰ জিহাদ সম্পৰ্কে আকিদা | ২৩ |
| ৯ | নতুন জামাত বনোৱাৰ কাৰণ | ২৫ |
| ১০ | জামাত আহমদীয়াৰ প্ৰোগ্ৰাম | ৩৩ |
| ১১ | আহমদীসকলক আন জামাতৰ পৰা পৃথক ৰখাৰ কাৰণ | ৩৫ |

اَعُوْذُبِاللّٰہِ مِنَ الشَّیْطٰنِ الرَّجِیْمِ

بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ     نَحْمَدُہٗ وَنُصَلِّیْ عَلٰی رَسُوْلِہِ الْکَرِیْمِ

**খোদাৰ ফজল আৰু কৃপাৰ সৈতে**

ھُوَالنَّاصِرُ

**আহ্দীয়তৰ পয়গাম**

আহ্মদী কি আৰু কি উদ্দেশ্যত প্ৰতিষ্ঠিত কৰা হৈছে ? এয়া এক প্ৰশ্ন হয় যি বহুত অৱগত আৰু অৱগত নোহোৱা সকলৰ হৃদয়ত সৃষ্টি হয়। অৱগত থকা সকলৰ অধ্যয়ন গভীৰ হয় আৰু অৱগত নথকা সকলৰ প্ৰশ্ন অতি নিম্ন শ্ৰেণীৰ হয়। জ্ঞানৰ বহু কথা সি নিজেই সৃষ্টি কৰি লয়, আৰু বহু কথা মানুহক শুনাই বিশ্বাস কৰি লয়। মই এই লোকসকলক অৱগত হোৱাৰ বাবে কিছু কথা ক'ব বিচাৰো যি অজ্ঞতাবশত আৰু অৱগত নোহোৱাৰ কাৰণে আহ্মদী সম্পৰ্কে বিভিন্ন ধৰণৰ ভুল বুজাত আৱদ্ধ হৈ আছে।

## আহ্মদী কোনো নতুন ধৰ্ম নহয়

এই অৱগত নোহোৱা সকলৰ মাজৰ পৰা কিছুমানে এই ধাৰণা কৰে যে,আহ্মদীসকলে کلمہ لَآ اِلٰہَ اِلَّا اللّٰہُ مُحَمَّدٌ رَّسُوْلُ اللّٰہِ ৰ বিশ্বাসী নহয়, আহ্মদী এক নতুন ধৰ্ম হয়। এইসকল লোক সম্ভৱত বেলেগৰ কথাত আহি এই বিশ্বাস ৰাখে বা সিহঁতৰ মস্তিষ্ক এয়া ধাৰণা কৰে যে, আহ্মদী এক মজহব হয় আৰু প্ৰত্যেক ধৰ্মৰ বাবে এক কলিমাৰ প্ৰয়োজন হয়,সিহঁতে ধাৰণা কৰে যে আহ্মদীসকলৰ কোনো নতুন কলিমা আছে। কিন্তু সঁচা কথা এই যে, আহ্মদী কোনো নতুন ধৰ্ম নহয় আৰু নে ধৰ্মৰ বাবে কোনো কলিমাৰ প্ৰয়োজন হয়,অৰ্থাৎ ইয়াতোকৈ অধিক মই কওঁ যে,কলিমা ইছলামৰ বাহিৰে

কোনো ধৰ্মৰ চিহ্ন নহয়। যেনেকুৱা ইছলাম আন ধৰ্মৰ পৰা কিতাপ হিচাপে পৃথক,নবী হিচাপে পৃথক,স্বকীয় সাৰ্বজনীন হিচাপে পৃথক,এইদৰে ইছলাম অইন ধৰ্মৰ পৰা কলিমা হিচাপেও পৃথক হয়,অইন ধৰ্মৰ ওচৰত কিতাপসমূহ আছে কিন্তু কালামুল্লাহ মাথোঁ মুছলমানসকলৰ বাহিৰে কোনাবাই পোৱা নাই। কিতাপৰ অৰ্থ মাথোঁ বিষয়াৱলী,ফৰজসমূহ ,আদেশ-নিৰ্দেশ হয়,কিন্তু কিতাপৰ ব্যাখ্যাত এই কথা অন্তৰ্ভুক্ত নহয় যে তাৰ ভিতৰত বৰ্ণিত বিষয়াৱলীৰ এটা এটা শব্দ খোদাৰ ফালৰ পৰা হয়, কিন্তু ইছলামী কিতাপৰ নাম কালামুল্লাহ ৰখা হৈছে, অৰ্থাৎ তাৰ এটা এটা শব্দও খোদা তা'লাৰ কথিত যিদৰে এইটোৰ বিষয়াৱলী খোদা তা'লাই বৰ্ণনা কৰিছিল। হজৰত ঈছা (আঃ)ৰ সেই শিক্ষা যি দুনিয়াৰ সন্মুখত তেওঁ উত্থাপন কৰিছিল সেয়াই আছিল যি খোদা তা'লাই তেওঁক দিছিল, কিন্তু এয়া সেই শব্দাৱলীত নাছিল যি খোদা তা'লাই ব্যৱহাৰ কৰিছিল। তৌৰাত, ইঞ্জিল আৰু কোৰ-আনক পঢ়া সকলে যদি এই বিষয়াৱলীৰ প্ৰতি ধ্যান দি দৃষ্টি নিক্ষেপ কৰে তেতিয়া দহ মিনিটৰ অধ্যয়নৰ পিছতেই এই সিদ্ধান্ত কৰি ল'ব যে, তৌৰাত আৰু ইঞ্জিলৰ বিষয়াৱলী যদিওবা খোদা তা'লাৰ তৰফৰ পৰা হয় কিন্তু তাৰ শব্দাৱলী খোদাৰ ফালৰ পৰা নহয় আৰু এইদৰে তেওঁ সিদ্ধান্ত কৰি ল'ব যে, কোৰ-আন কৰীমৰ বিষয়াৱলী খোদাৰ তৰফৰ পৰা হয় আৰু তাৰ শব্দাৱলীও খোদাৰ তৰফৰ পৰা হয়। অথবা এয়া কোৱা যে,এজন এনেকুৱা ব্যক্তি যিয়ে কোৰ-আন কৰীম, তৌৰাত আৰু ইঞ্জিলৰ ওপৰত বিশ্বাস স্থাপন নকৰে,এই তিনিখন কিতাপৰ কেই মিনিট অধ্যয়ন কৰাৰ পিছত এই কথা স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে, তৌৰাত আৰু ইঞ্জিলৰ উত্থাপনকাৰী এই কথাৰ দাবীকাৰক হয় যে উভয় কিতাপ খোদা তা'লাৰ তৰফৰ পৰা হয় কিন্তু এই কথাৰ কেতিয়াও দাবীকাৰক নহ'ব যে,এই উভয় কিতাপৰ এটা এটা শব্দ খোদা তা'লাৰ কথিত,কিন্তু কোৰ-আন কৰীম সম্পৰ্কে তেওঁ এয়া ক'বলৈ বাধ্য হ'ব যে, ইয়াৰ উত্থাপনকাৰী কেৱল মাথোঁ এই কথাৰ দাবীদাৰ নহ'ব

যে কোৰ-আন কৰীমৰ বিষয়াৱলী খোদাৰ তৰফৰ পৰা হয়,অৰ্থাৎ এই কথাৰো দাবীদাৰ হয় যে, কোৰ-আন কৰীমৰ এটা এটা শব্দ খোদা তা'লাৰ তৰফৰ পৰা হয়। ইয়াৰ কাৰণ কোৰ-আন কৰীম নিজৰ নাম কিতাবুল্লাহৰ বাহিৰেও কালামুল্লাহ ৰাখিছে। কিন্তু তৌৰাত আৰু ইঞ্জিলে নিজৰ নাম কালামুল্লাহ ৰখা নাই,আৰু নে কোৰ-আন কৰীমে তাক কালামুল্লাহ কৈছে,অৰ্থাৎ মুছলমান পৃথক আন ধৰ্মৰ পৰা এই বিষয়ে যে ধৰ্মৰ ধৰ্মীয় কিতাপসমূহ কিতাবুল্লাহ হয়, কিন্তু কালামুল্লাহ নহয়, কিন্তু মুছলমানসকলৰ কিতাপ কেৱল মাথোঁ কিতাবুল্লাই নহয় কালামুল্লাহও হয়। এইদৰে সকলো ধৰ্মৰ আৰম্ভণী নবীসকলৰ অস্তিত্বৰে হৈছে,কিন্তু কোনো ধৰ্ম এনেকুৱা নাই যিয়ে এনেকুৱা নবীক উত্থাপন কৰিছে যিয়ে ধৰ্মীয় কাৰ্যাৱলীৰ জ্ঞান বয়ান কৰাৰ দাবীকাৰক হয় আৰু মানৱ জাতিৰ বাবে আদৰ্শস্বৰূপ হিচাপে উত্থাপন কৰিছে। খ্ৰীষ্টানসকল যি অতি নৈকট্য প্ৰাপ্ত ধৰ্ম হয়,সিহঁত মছীহ (আঃ)ক খোদাৰ পুত্ৰ বুলি আখ্যা দি ইমানখিনি যোগ্যতা এৰা নাই যে,তেওঁৰ পদাঙ্ক অনুযায়ী মানুহ চলিব,কাৰণ মানৱ খোদাৰ নিচিনা হ'ব নোৱাৰে। তৌৰাত আৰু হজৰত মুছা (আঃ)ক উন্নত ধৰণৰ আদৰ্শস্বৰূপ উত্থাপন নকৰে। নে তৌৰাত আৰু ইঞ্জিল হজৰত মুছা আৰু হজৰত ঈছা (আঃ)ক ধৰ্মীয় জ্ঞান বয়ান কৰাৰ জিম্মা নিৰ্ধাৰিত কৰিছে, কিন্তু কোৰ-আন কৰীম ৰছুলুল্লাহ (ছাঃ)ৰ সম্পৰ্কে কৈছে,

(2:152) وَيُعَلِّمُكُمُ الْكِتٰبَ وَالْحِكْمَةَ

এই নবী তোমাক ঐশ্বৰিক আদেশ আৰু জ্ঞানৰ বিষয়ে কয়। অৰ্থাৎ ইছলাম পৃথক এই কথাত যে, নবী পৃথিৱীৰ বাবে উন্নতমানৰ আদৰ্শস্বৰূপ হয় আৰু কোনো আদেশ মান্য কৰাৰ বাবে বাধ্যবাধকতা নকৰে, অৰ্থাৎ যেতিয়া কোনো আদেশ দিয়ে, নিজৰ অনুসৰণৰ ঈমান শক্তিশালী কৰাৰ বাবে, আৰু সিহঁতৰ উৎসা বৃদ্ধি কৰাৰ বাবে এয়াও কয় যে তেওঁ যি আদেশ দিয়ে তাৰ মাজত মিল্লত,উম্মতৰ সদস্য আৰু আন জনগণৰ বাবে উপকাৰিতা

নিহিত আছে, এইবাবে ইছলাম পৃথক হয় অৰ্থাৎ অইন ধৰ্মৰ পৰা নিজৰ শিক্ষা হিচাপে। ইছলামৰ শিক্ষা সৰু ডাঙৰ, দুখীয়া আৰু ধনী,মহিলা আৰু পুৰুষ,পশ্চিম আৰু পূব,দুৰ্বল আৰু শক্তিশালী,হাকিম আৰু বিশিষ্ট,চৰ্দাৰ আৰু শ্ৰমিক,স্বামী আৰু স্ত্ৰী,মাতৃ-পিতৃ আৰু সন্তান-সন্ততি,ক্ৰেতা আৰু বিক্ৰেতা,ওচৰ-পাজৰীয়া আৰু মুছাফিৰৰ বাবে আৰাম শান্তি আৰু উন্নতিৰ পয়গাম হয়। ইছলাম মানৱ জাতিৰ মাজৰ পৰা কোনো দলক নিজৰ খিতাপৰ পৰা বঞ্চিত নাৰাখে। ইছলাম পূৰ্বৰ আৰু পৰৱৰ্তী সকলোবিলাক জাতিৰ বাবে এক হিদায়ৎ নামা হয় যিদৰে অদৃশ্য খোদাৰ দৃষ্টি পাথৰৰ তলত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ অণু-পৰমাণুৰ ওপৰত পৰে আৰু আকাশত জিকমিক কৰি থকা তৰাবোৰৰ ওপৰতো; এইদৰে মুছলমানসকলৰ ধৰ্মীয় শিক্ষা দুখীয়াৰ পৰা দুখীয়া,দুৰ্বলৰ পৰা দুৰ্বলসকলৰ প্ৰয়োজনক পূৰ্ণ কৰে আৰু ধনীৰ পৰা ধনী আৰু শক্তিশালীৰ পৰা শক্তিশালী মানুহৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰে। উদ্দেশ্য ইছলাম মাথোঁ পূৰ্বৰ ধৰ্মৰ এক নকল নহয়,অৰ্থাৎ ধৰ্মৰ শীৰ্ষতম শিকলি আৰু আধ্যাত্মিক ব্যৱস্থাপনাৰ সূৰ্য হয় আৰু ইয়াৰ সৈতে কোনো কথাত অইন ধৰ্মৰ সৈতে তুলনা কৰা সঠিক নহয়। ধৰ্মৰ নামত যদিওবা সকলোৱে অন্তৰ্ভুক্ত হয়,এইদৰে যেনেকুৰা হীৰা আৰু কয়লা ৰাসায়নিক ভাৱে কাৰ্বন নামে মিলিত হয়,কিন্তু হীৰা হীৰা হয় আৰু কয়লা কয়লাই হয়। যেনেকুৰা গেদীয় শিল আৰু মাৰ্বলৰ ৰাসায়নিক একেই তথাপি এটা আনটোৰ সৈতে একেবাৰে পৃথক। গেদীয় শিল গেদীয় শিলেই আৰু মাৰ্বল মাৰ্বলেই হয়,অৰ্থাৎ এয়া ধাৰণা কৰি লোৱা যে, ইছলামত কলিমা পোৱা যায় এই কাৰণে আন ধৰ্মৰো কলিমা নিশ্চয় হ'ব,এয়া মাথোঁ অৱগত নোহোৱা কাৰণে হয় আৰু কোৰ-আনৰ প্ৰতি দৃঢ়তা নথকাৰ ফলত হয়,ইয়াতোকৈ অধিক অত্যাচাৰ এয়া যে,কিছুমান লোকসকলে, لَآ اِلٰهَ اِلَّا اللّٰهُ اِبْرَاهِيْمُ خَلِيْلُ اللّٰهِ -
لَآ اِلٰهَ اِلَّا اللّٰهُ مُوْسٰى كَلِيْمُ اللّٰهِ আৰু لَآ اِلٰهَ اِلَّا اللّٰهُ عِيْسٰى رُوْحُ اللّٰه ৰ কলিমা

উত্থাপন কৰি দিয়ে আৰু কয় যে, পূৰ্বৰ ধৰ্মৰ কলিমা হয়,অৰ্থাৎ তৌৰাত আৰু ইঞ্জিল আৰু খ্ৰীষ্টান লিটৰেচাৰত এই কলিমাবোৰৰ কৰোবাত নাম চিহ্নও নাই। মুছলমানসকলৰ ভিতৰত আজি হাজাৰো বেয়া সৃষ্টি হৈছে কিন্তু সিহঁতে কলিমা পাহৰি গৈছে নে ? তেন্তে এয়া কেনেকৈ ক'ব পৰা যায় যে খ্ৰীষ্টান আৰু ইহুদী নিজৰ কলিমা পাহৰি গৈছে। যদি সিহঁতে কলিমা পাহৰি গৈছে আৰু সিহঁতৰ কিতাপৰ পৰা এই কলিমা নাইকিয়া হৈ গৈছে তেতিয়াহলে মুছলমানসকলক এই কলিমা কোনে কৈছে। সঁচা এয়া যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ বাহিৰে আন কোনো নবীৰ কলিমা নাছিল। মহম্মদ (ছাঃ)ৰ গুণাৱলীৰ মাজত এটা গুণ এয়া যে গোটেই নবীসকলৰ মাজত মাথোঁ তেখেত (ছাঃ)ক কলিমা প্ৰদান কৰা হৈছে আৰু কোনো নবীক কলিমা প্ৰদান কৰা নাই,তাৰ কাৰণ এয়া যে কলিমাত ৰিছালতৰ স্বীকাৰক তৌহিদৰ স্বীকাৰৰ সৈতে মিলিত কৰি দিয়া হৈছে আৰু তৌহিদৰ স্বীকাৰ সৰ্বদা সত্য হয়,কেতিয়াও সমাপ্ত নহয়, কাৰণ পূৰ্বৰ নবীসকলৰ নবুয়তৰ যুগ কোনো কোনো সময়ত শেষ হ'বলগীয়া আছিল,এই কাৰণে খোদা তা'লা সিহঁতৰ মাজৰ পৰা কোনো নবীৰ নাম নিজৰ নামৰ সৈতে মিলাই বৰ্ণনা কৰা নাই,কিন্তু মহম্মদ (ছাঃ)ৰ নবুয়ত কিয়ামতলৈ থাকিব লগা আছিল আৰু তেখেত (ছাঃ)ৰ যুগ কেতিয়াও সমাপ্ত হ'বলগীয়া নাছিল। এই কাৰণে আল্লাহ তা'লাই তেখেত (ছাঃ)ৰ ৰিছালত আৰু তেখেত (ছাঃ)ৰ নাম কলিমা তৌহিদৰ সৈতে মিলাই বয়ান কৰিছে যাতে দুনিয়াক এয়া ক'ব পাৰে যে যেনেকুৱা لَآ اِلٰهَ اِلَّا اللّٰهُ কেতিয়াও শেষ নহয়, এইদৰে مُحَمَّدٌ رَسُوْلُ اللّٰهِ ও কেতিয়াও শেষ নহয়। আশ্চৰ্যৰ বিষয় যে ইহুদী নকয় যে মুছা (আঃ)ৰ কোনো কলিমা আছিল,খ্ৰীষ্টান নকয় যে ঈছা (আঃ)ৰ কোনো কলিমা আছিল। ছাবি নকয় যে ইব্ৰাহিম (আঃ)ৰ কোনো কলিমা আছিল, কিন্তু মুছলমান যাৰ নবীৰ কলিমাত বিশেষত্ব আছিল,যি নবীক আল্লাহ তা'লাই পৃথক কৰিছিল,যাক কলিমাৰ জৰিয়তে আন জাতিসমূহৰ ওপৰত ফজল প্ৰদান কৰিছে, তেওঁ আনন্দিত হৃদয়ে নিজৰ নবীৰ এই

ফজলক আন নবীসকলৰ মাজত বিতৰণ কৰাৰ বাবে প্ৰস্তুত হৈ যায় যদিওবা সেই নবীসকলৰ নিজৰ উম্মতে কোনো কলিমাৰ দাবীদাৰক নহয়। সিহঁতে তেখেতৰ তৰফৰ পৰা কলিমা তৈয়াৰ কৰি উত্থাপন কৰে যে ইহুদীসকলৰ এই কলিমা আছিল আৰু ইব্ৰাহিমৰ এই কলিমা আছিল আৰু খ্ৰীষ্টানসকলৰ এই কলিমা আছিল।

মূল কথা এয়া যে, ধৰ্মৰ বাবে কলিমা হোৱা জৰুৰী নহয়। যদি জৰুৰী হ'ল হয় তথাপি আহমদীসকলৰ কোনো নতুন কলিমা নহ'ল হয়, কাৰণ আহমদী কোনো নতুন ধৰ্ম নহয়। আহমদী কেৱল ইছলামৰ নাম হয়। আহমদীসকলে সেই কলিমাৰ ওপৰত বিশ্বাস স্থাপন কৰে যি কলিমা মহম্মদ (ছাঃ)য়ে পৃথিৱীৰ সন্মুখত উত্থাপন কৰিছে, অৰ্থাৎ

لَآ اِلٰهَ اِلَّا اللّٰهُ مُحَمَّدٌ رَّسُوْلُ اللّٰهِ

আহমদীৰ দৃষ্টিত এই বস্তুজগতৰ সৃষ্টিকৰ্তা এক খোদা হয় যি এক অংশীবিহীন হয়, যাৰ শক্তি সীমাহীন, যিয়ে প্ৰতিপালক হয়, ৰহমান হয়, দয়ালু হয়, কিয়ামতৰ দিনৰ মালিক হয়। খোদাৰ ভিতৰত সেইবোৰ গুণাৱলী পোৱা যায় যি কোৰ-আন কৰীমত বৰ্ণনা কৰা হৈছে আৰু সেই সকলোবোৰ কথাৰ পৰা পৱিত্ৰ যি কথাবোৰৰ পৰা কোৰ-আন কৰীমে তাক পৱিত্ৰ কৰি দিছে আৰু আহমদীসকলৰ দৃষ্টিত মহম্মদ (ছাঃ) বিন আব্দুল্লাহ বিন মুতাল্লিব কুৰাইশি মক্কা আল্লাহ তা'লাৰ ৰছুল আছিল, আৰু আখেৰী চৰিয়ত তেখেত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছে। তেখেত (ছাঃ)য়ে আজমি আৰু আৰবী,বগা আৰু ক'লা,সকলোবিলাক জাতিৰ প্ৰতি আৰু সকলো বংশধৰৰ প্ৰতি প্ৰেৰণ হৈছে। তেখেত (ছাঃ)ৰ নবুয়তৰ যুগ নবুয়তৰ দাবীৰ পৰা সেই সময়লৈকে আছে যেতিয়ালৈকে দুনিয়াৰ পৰ্দাত কোনো শ্বাস জীৱিত আছে, তেখেত (ছাঃ)ৰ শিক্ষা প্ৰত্যেকজন মানুহৰ বাবে আৱশ্যকৰণীয় আমল হয় আৰু কোনো মানুহ এনেকুৱা নহয় যাৰ ওপৰত হুজ্জত (দলিল-প্ৰমাণ) পূৰ্ণ হৈছে

আৰু তেওঁ তেখেত (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰা নাই আৰু তেওঁ শাস্তিৰ যোগ্য হোৱা নাই। প্ৰত্যেক ব্যক্তি যলৈ তেখেত (ছাঃ)ৰ নাম অৰ্জন হৈছে আৰু যাৰ সন্মুখত তেখেত (ছাঃ)ৰ সততাৰ দলিল বৰ্ণনা কৰা হৈছে তেওঁ মুকাল্লিফ হয় তেখেত (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ কাৰণে, আৰু তেখেত (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন অবিহনে তেওঁ মুক্তিৰ অধিকাৰপ্ৰাপ্ত নহয় আৰু সঠিক পৱিত্ৰতা মাথোঁ তেখেত (ছাঃ)ৰ পদাঙ্কৰ অনুসৰণত অৰ্জিত হ'ব পাৰে।

# আহমদীসকলৰ সম্বন্ধে কিছু সন্দেহৰ শুধৰণী

## খাতামে নবুয়ত সম্পৰ্কে আহমদীসকলৰ আকিদা (বিশ্বাস)ঃ

উল্লেখিত অৱগত নোহোৱা দলৰ মাজৰ পৰা কিছুমান লোকে এই ধাৰণা কৰে যে আহমদীসকলে খাতামে নবুয়তৰ মান্যকাৰী নহয় আৰু ৰছুলে কৰীম (ছাঃ)ক খাতামান নাবিঈন বুলি নামানে। এয়া মাথোঁ প্ৰতাৰণা আৰু অৱগত নোহোৱাৰ ফলাফল হয়। যেতিয়া আহমদীসকলে নিজকে মুছলমান কয় আৰু কলিমা শ্বাহাদতৰ ওপৰত বিশ্বাস স্থাপন কৰে তেন্তে এয়া কেনেকৈ হ'ব পাৰে যে সিহঁত খাতামে নবুয়তৰ অস্বীকাৰকাৰী আৰু ৰছুলে কৰীম (ছাঃ)ক খাতামে নবুয়ত বুলি মান্য নকৰে। কোৰ-আন কৰীমত পৰিষ্কাৰ ভাৱে আল্লাহ তা'লা কয়,

مَاكَانَ مُحَمَّدٌ اَبَآ اَحَدٍ مِّنْ رِّجَالِكُمْ وَلٰكِنْ رَّسُوْلَ اللّٰهِ
وَخَاتَمَ النَّبِيّٖنَ (33:41)

মহম্মদ ৰছুলুল্লাহ (ছাঃ)তোমালোকৰ মাজৰ কোনোবাৰ পিতৃ নহয়,আৰু নে ভৱিষ্যতত হ'ব কিন্তু আল্লাহ তা'লাৰ ৰছুল আৰু খাতামান নাবিঈন হয়, কোৰ-আন কৰীমৰ ওপৰত বিশ্বাস স্থাপনকাৰী ব্যক্তি এই আয়াতৰ কেনেকৈ অস্বীকাৰ কৰিব পাৰে। অৰ্থাৎ আহমদীসকলৰ এই আকিদা কেতিয়াও নহয় যে ৰছুলে কৰীম (ছাঃ)নাউজুবিল্লাহ খাতামান নাবিঈন নাছিল। যি কিছু

আহমদীসকলে কয় সেয়া কেৱল এয়া যে খাতামান নাবিঈনৰ সেই অৰ্থ যি এতিয়া মুছলমান সকলৰ মাজত সাধাৰণ হৈ আছে; যি নে কোৰ-আন কৰীমৰ উল্লেখিত আয়াত মতে হয় আৰু নে ৰছুলে কৰীম (ছাঃ)ৰ মান-সন্মান সেইদৰে প্ৰকাশ হয় যি মান-সন্মান আৰু মৰ্যাদাৰ ফালে এই আয়াতত ইঙ্গিত কৰা হৈছে আৰু আহমদীয়া জামাত খাতামান নাবিঈনৰ সেই অৰ্থ কৰে যি আৰবী অভিধানত সাধাৰণতে পোৱা যায় আৰু যি অৰ্থত হজৰত আইশা (ৰাঃ) আৰু হজৰত আলী (ৰাঃ) আৰু আন চাহাবা সকলে কৰিছে আৰু যাৰ পৰা ৰছুলুল্লাহ (ছাঃ)ৰ মান-মৰ্যাদা আৰু তেখেত (ছাঃ)ৰ স্থান বহু পৰিমাণে বৃদ্ধি পায়, আৰু সকলো সাধাৰণ মানুহৰ ওপৰত তেখেতৰ প্ৰাধান্যতা প্ৰমাণিত হয়। অৰ্থাৎ আহমদী খাতামে নবুয়তৰ অস্বীকাৰী নহয় অৰ্থাৎ খাতামে নবুয়তৰ সেই অৰ্থৰ অস্বীকাৰকাৰী যি সাধাৰণ মুছলমান সকলৰ মাজত বৰ্তমান যুগত ভুলৰ কাৰণে অব্যাহত আছে নতুবা খাতামে নবুয়তৰ অস্বীকাৰ কৰা কুফৰ হয় আৰু আহমদীসকল খোদা তা'লাৰ কৃপাত মুছলমান হয় আৰু ইছলামৰ নিয়মানুযায়ী চলা মুক্তিৰ এক উপায় বুলি ভাৱে।

## কোৰ-আন কৰীম

অৱগত নথকা লোকসকলৰ মাজৰ কিছুমানে ধাৰণা কৰে যে, আহমদীসকল কোৰ-আন শ্বৰীফৰ ওপৰত পূৰ্ণ ঈমান নাৰাখে, মাথোঁ কোৰ-আন কৰীমৰ কিছু পাৰাক মান্য কৰে,অৰ্থাৎ মোক বৰ্তমান কোইটাৰ ১২ জন মান ব্যক্তিয়ে একত্ৰিত হৈ কৈছে যে আমাক আলিমসকলে কৈছে যে আহমদীসকলে গোটেই কোৰ-আনখনক নামানে এয়া এক অভিযোগ যি আহমদীসকলৰ শত্ৰুসকলে আহমদীসকলৰ ওপৰত আৰোপ কৰিছে। আহমদী কোৰ-আন কৰীমক নে পৰিৱৰ্তনশীল আৰু নে বাতিল কিতাপ বুলি কয়। আহমদী بِسمِ اللهৰ ب ৰ পৰা লৈ والنَّاس ৰ س লৈকে প্ৰত্যেক আখৰ আৰু প্ৰত্যেক শব্দক খোদা তা'লাৰ পক্ষৰ পৰা ভাৱে, আমলৰ যোগ্য বুলি

স্বীকাৰ কৰে।

## আহ্‌মদীসকলৰ ফিৰিস্তাবিলাকৰ সম্পৰ্কে আকিদা (বিশ্বাস)

অৱগত নথকা মানুহৰ পৰা কিছুমান লোক এই অভিযোগ উত্থাপন কৰে যে আহ্‌মদীসকলে ফিৰিস্তাবিলাক আৰু চয়তানক বিশ্বাস নকৰে এই আৰোপ কেৱল ঈমানৰ দাবী কৰি এই বস্তুবিলাকৰ অস্বীকাৰ আহ্‌মদীসকলে কেনেকৈ কৰিব পাৰে ? আমি খোদা তা'লাৰ কৃপাত ফিৰিস্তাবিলাকৰ ওপৰত ঈমান ৰাখো অৰ্থাৎ আহ্‌মদীয়তৰ পৰা যি কল্যাণ আমাক অৰ্জিত হৈছে তাৰ কাৰণে নে কেৱল আমি ফিৰিস্তিবিলাকৰ ওপৰত বিশ্বাস স্থাপনকাৰী,অৰ্থাৎ আমি এই বিশ্বাসও ৰাখো যে ফিৰিস্তাৰ সৈতে কোৰ-আন কৰীমৰ জৰিয়তে সম্পৰ্ক সৃষ্টি কৰিব পৰা যায় আৰু তাৰ মাধ্যমে আধ্যাত্মিক জ্ঞানো শিকিব পৰা যায়।

লিখকে নিজেই বহু জ্ঞান ফিৰিস্তাৰ পৰা শিকিছে। মোক এবাৰ এক ফিৰিস্তাই চুৰা ফাতিহাৰ বিশদ পঢ়োৱায় আৰু সেই সময়ৰ পৰা এই সময়লৈকে চুৰা ফাতিহা পৰ্যন্ত ইমান অৰ্থ মোলৈ মুকলি হয় যাৰ কোনো সীমা নাই; আৰু মোৰ দাবী এয়া হয় যে কোনো ধৰ্ম আৰু মিল্লতৰ মানুহ আধ্যাত্মিক জ্ঞানৰ বিষয়ে কোনো বিষয়াৱলী স্বকীয় গোটেই কিতাপৰ পৰা ওলায় তাতকৈয়ো বেছি বিষয়াৱলী খোদা তা'লাৰ কৃপাত মই কেৱল চুৰা ফাতিহাৰ পৰা ওলাব পাৰো। দীৰ্ঘ কালৰে পৰা মই দুনিয়াক এই চেলেঞ্জ কৰি আহিছো কিন্তু আজিলৈকে কোনোবাই এই চেলেঞ্জ গ্ৰহণ কৰা নাই। খোদা তা'লাৰ প্ৰমাণ, তৌহিদৰ প্ৰমাণ,ৰিছালত আৰু তাৰ প্ৰয়োজন, পৰিপূৰ্ণ চৰিয়তৰ চিহ্নাৱলী আৰু সাধাৰণ মানুহৰ বাবে তাৰ প্ৰয়োজন, দোৱা, তকদিৰ,কিয়ামত, বেহেস্ত আৰু দোজখ। এই সকলোবোৰ বিষয়াৱলীৰ ওপৰত চুৰা ফাতিহাৰ পৰা এনেকুৱা জেউতি প্ৰাপ্ত হয় যি আন কিতাপসমূহৰ শ শ পৃষ্ঠাইয়ো ইমানখিনি জেউতি মানুহলৈ প্ৰাপ্ত কৰাব নোৱাৰে। অৰ্থাৎ

ফিৰিস্তাৰ অস্বীকাৰ কৰাৰ কোনো প্ৰশ্নই উত্থাপন হ'ব নোৱাৰে,আহমদীসকল ফিৰিস্তাৰ পৰা উপকাৰ হোৱাৰ দাবীদাৰ হয়, বাকী থাকিল চয়তান। চয়তান এক বেয়া বস্তু হয় যাৰ ওপৰত ঈমান অনাৰ প্ৰশ্নই উত্থাপন নহয়, তাৰ অস্তিত্বৰ জ্ঞান আমাক কোৰ-আন কৰীমৰ পৰা জানিব পৰা যায় আৰু তাৰ অস্তিত্বক স্বীকাৰ কৰো আৰু নে কেৱল স্বীকাৰ কৰো অৰ্থাৎ এয়াও ভাৱো যে, খোদা তা'লা আমাৰ দায়িত্বত এয়া ন্যস্ত কৰিছে যে আমি চয়তানৰ শক্তি নিঃশেষ কৰো আৰু তাৰ ৰাজত্বক সমাপ্ত কৰো। চয়তানক মই সপোনত দেখিছো আৰু এবাৰ মই তাৰ সৈতে কুস্তিও (মোকাবিলাও)কৰিছোঁ আৰু খোদা তা'লাৰ সাহায্যত আৰু কলিমায়ে তাউজৰ কল্যাণত তাক (চয়তানক) পৰাস্ত কৰিছোঁ আৰু এবাৰ আল্লাহ তা'লাই মোক কৈছে যে যি কামৰ বাবে তোমাক নিযুক্ত কৰা হ'ব তাৰ ৰাস্তাত চয়তান আৰু তাৰ সন্তান-সন্ততি বহু পৰিমাণে বাধা দিব, তুমি তাৰ বাধাৰ কোনো ভ্ৰূক্ষেপ নকৰিবা আৰু এই বাক্য কৈ আগবাঢ়ি যাবা "খোদাৰ ফজল আৰু কৃপাৰ সৈতে"তেতিয়া মই সেই ফালে গলো যিফালে খোদা তা'লাই মোক আদেশ দিছিল আৰু দেখিবলৈ পালো যে, চয়তান আৰু তাৰ সন্তান-সন্ততি বিভিন্ন পদ্ধতিত মোক হুমকি দি আছে আৰু দৌৰাবলৈ চেষ্টা কৰি আছে। কিছুমান ঠাইত মাথোঁ মূৰ সন্মুখলৈ আহি গৈছিল আৰু মোক ভয় দেখুৱাবলৈ চেষ্টা কৰি আছিল,কিছুমান ঠাইত মূৰ বিহীন আহি গৈছিল,কিছুমান ঠাইত চয়তান হিংস আৰু বাঘৰ ৰূপ পৰিৱৰ্তন কৰি হাতী ৰূপে আহিছিল কিন্তু ঐশ্বৰিক আদেশ অনুযায়ী মই তাৰ ফালে ধ্যান নিদিলো আৰু এয়া কৈ থাকোঁতে আগ বাঢ়ি গৈ থাকিলো "খোদাৰ ফজল আৰু কৃপাৰ সৈতে,"খোদাৰ ফজল আৰু কৃপাৰ সৈতে" যেতিয়া মই এই বাক্য পঢ়িছিলো চয়তান আৰু তাৰ সন্তান গুচি গৈছিল আৰু ময়দান পৰিষ্কাৰ হৈ গৈছিল,কিন্তু কিছু সময় পিছতেই সি (চয়তান) আকৌ এক নতুন ৰূপ ধাৰণ কৰি মোৰ সন্মুখলৈ আহিছিল,সেই মুহূৰ্ততেও

এই অস্ত্ৰই তাক আঁতৰ কৰিবলৈ কৃতকাৰ্য হৈছিল,ইমানতে মই মোৰ উদ্দেশ্যৰ স্থানলৈ গৈ পাওঁ আৰু চয়তান পৰিপূৰ্ণভাৱে ময়দান এৰি গুচি যায়। এই দিব্য দৰ্শনৰ ভিত্তিত মই মোৰ সকলোবোৰ গুৰুত্বপূৰ্ণ লিখনিৰ ওপৰত শিৰোনামাৰ ওপৰত “খোদাৰ ফজল আৰু কৃপাৰ সৈতে” এই বাক্য লিখা কৰো। অৰ্থাৎ আমি ফিৰিস্তা আৰু চয়তানৰ অস্তিত্বক স্বীকাৰ কৰো।

কিছুমান লোকে কয় যে, আহমদীসকলে ম'ুজিজা (অলৌকিক ঘটনাক)ৰ অস্বীকাৰকাৰী হয়, এয়াও ঘটনাসমূহৰ পৰিপন্থী। মহম্মদ (ছাঃ)ৰ মু'জিজা (অলৌকিক ঘটনা) পৃথক ৰাখিলো, আমি এই কথাৰ স্বীকাৰ কৰো যে মহম্মদ (ছাঃ)ৰ সত্য অনুসৰণকাৰীক আল্লাহ্ তা'লা অলৌকিক ঘটনা প্ৰদান কৰে। কোৰ-আন কৰীম মহম্মদ (ছাঃ)ৰ ম'ুজিজাৰে (অলৌকিক ঘটনাৰে) পৰিপূৰ্ণ হয় আৰু তাৰ অস্বীকাৰ মাথোঁ এক চিৰন্তন অন্ধই কৰিব পাৰে।

## নিজাত (মুক্তি) সম্পৰ্কে আহমদীসকলৰ আকিদা (বিশ্বাস)

কিছুমান লোকে আহমদী সম্বন্ধে এই ভুল বুজনিৰ চিকাৰত আৱদ্ধ যে আহমদী আকিদীয়ত হিচাপে আহমদীৰ বাহিৰে সকলো লোক জাহান্নামী হয়। এয়াও মাথোঁ অৱগত নোহোৱাৰ আৰু শত্ৰুতাৰ ফলাফল হয়। আমাৰ কেতিয়াও এই আকিদা নহয় যে আহমদীসকলৰ বাহিৰে সকলোবিলাক মানুহ দোজখী হয়। আমাৰ দৃষ্টিত এয়া হ'ব পাৰে যে কোনোবা আহমদী হয় কিন্তু তেওঁ জাহান্নামী হৈ যায়,যেনেকুৱা এয়াও হ'ব পাৰে যে কোনোবা আহমদী নহয় আৰু তেওঁ বেহেস্তলৈ গুচি যাব,কাৰণ জান্নাত কেৱল মুখেদি স্বীকাৰ কৰাৰ ফলাফল নহয়। বেহেস্ত বহু দায়িত্ব পূৰ্ণ কৰাৰ ফলত পোৱা যায়। এইদৰে দোজখ কেৱল মুখৰ অস্বীকাৰ কৰাৰ ফলাফল নহয়,অৰ্থাৎ দোজখৰ চিকাৰ হোৱাৰ বাবে বহু চৰ্তাৱলী আছে। কোনো মানুহ দোজখত যাব নোৱাৰে যেতিয়ালৈকে তাৰ ওপৰত হুজ্জত (দলিল প্ৰমাণ) পূৰ্ণ নহয়,যদিওবা সি ডাঙৰ ডাঙৰ সত্যতাৰ অস্বীকাৰকাৰী নহওঁক কিয়। ৰছুলুল্লাহ

(ছাঃ)য়ে কৈছে যে,শৈশৱ কালত মৃত্যু হৈ যোৱা বা ওখ পাহাৰত বসবাসকাৰী বা জঙ্গলত বসবাসকাৰী বা ইমান বৃদ্ধ যে যিয়ে বুদ্ধি জ্ঞান হেৰাই পেলাইছে বা পাগল যিয়ে জ্ঞানশূন্য সেইলোকসকলৰ পৰা জিজ্ঞাসু নহ'ব, অর্থাৎ খোদা তা'লা কিয়ামতৰ দিনা সেই লোকসকলৰ ফালে দ্বিতীয়বাৰ নবী প্রেৰণ কৰিব আৰু সিহঁতক সঁচা আৰু মিছাক চিহ্নিত কৰাৰ সুবিধা দিয়া হ'ব তেতিয়া যাৰ ওপৰত হুজ্জত পূর্ণ হ'ব তেওঁ দোজখলৈ যাব আৰু যিয়ে হিদায়ৎ গ্রহণ কৰিব সি বেহেস্তত প্রৱেশ কৰিব। অর্থাৎ এয়া ভুল যে আহমদীসকলৰ দৃষ্টিত প্রত্যেক সেই ব্যক্তি যিয়ে আহমদী গ্রহণ কৰা নাই সি জাহান্নামী। নিজাত (মুক্তি) সম্পর্কে আমাৰ এই আকিদা হয় যে প্রত্যেক সেই ব্যক্তি যিয়ে সত্যক বুজাৰ পৰা আঁতৰত থাকিব বিচাৰে আৰু চেষ্টা কৰে সত্য তেওঁৰ কর্ণলৈ যেন নাহে যাৰ ফলত তেওঁক মানিবলৈ বাধ্য হ'ব লগা হয় বা হুজ্জত (দলিল প্রমাণ) পূর্ণ হৈ যায় তথাপি বিশ্বাস স্থাপন নকৰে,তেতিয়া খোদা তা'লাৰ দৃষ্টিত জিজ্ঞাসুপ্রাপ্ত হয়,কিন্তু এনেকুৱা ব্যক্তিক যদি খোদা তা'লা ইচ্ছা কৰে ক্ষমা কৰি দিব পাৰে,তাৰ দয়াৰ বিতৰণ আমাৰ হাতত নাই। এজন কৃতদাস নিজৰ মালিকক উদাৰতাৰ পৰা বঞ্চিত ৰাখিব নোৱাৰে। খোদা তা'লা আমাৰ আকা হয় আৰু আমাৰ বাদশ্বাহ হয় আৰু আমাৰ সৃজনকাৰী হয় আৰু আমাৰ মালিক হয়। যদি তাৰ হিকমত আৰু জ্ঞান আৰু তাৰ দয়া কোনো এনেকুৱা ব্যক্তিক দিব বিচাৰে যাৰ সাধাৰণ পৰিস্থিতি মতে ক্ষমা অসম্ভৱ দেখিবলৈ পোৱা যায়, গতিকে আমি কোন হয় তাৰ হাতক বাধা প্রদান কৰিম,আৰু আমি কোন হয় যে তেওঁক ক্ষমাৰ পৰা বঞ্চিৰ ৰাখিম।

নিজাত (মুক্তি) সম্বন্ধে আহমদীৰ আকিদা ইমান বিস্তাৰিত যে,তাৰ কাৰণে কিছুমান মৌলবীসকলে আহমদীসকলৰ ওপৰত কুফৰৰ ফতোৱা আৰোপ কৰিছে,অর্থাৎ আমি এই আকিদা ৰাখো যে কোনো মানুহই চিৰস্থায়ী শাস্তিত আৱদ্ধ নহ'ব,নে মোমিন নে কাফিৰ। কাৰণ কোৰ-আন কৰীমত

আল্লাহ তা'লা কয় যে,

(7:157) وَرَحْمَتِيْ وَسِعَتْ كُلَّ شَيْءٍ ۚ

মোৰ ৰহমতে সকলো বস্তুক আৱৰি ৰাখিছে আকৌ কয় যে,

(101:10) فَاُمُّهٗ هَاوِيَةٌ ۝

কাফিৰ আৰু দোজখৰ পৰস্পৰ পৰস্পৰৰ সম্পৰ্কে এনেকুৱাই হ'ব যেনেকুৱা মহিলা আৰু তাইৰ শিশুৰ হয় আকৌ কয়,

(51:57) وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ ۝

সকলোবিলাক জিন আৰু মানুহ মই মোৰ উপাসনাৰ বাবে সৃষ্টি কৰিছোঁ। এনেকুৱাই আৰু বহু আয়াত হোৱা সত্ত্বেও আমি কিয় মানিব পাৰো যে, খোদা তা'লাৰ ৰহমত অৱশেষত দোজখীসকলক আৱৰি নল'ব আৰু দোজখী জাহান্নামৰ কৃপাৰ পৰা কেতিয়াও খাৰিজ নহ'ব আৰু সেই বান্দা যাক খোদা তা'লাই নিজৰ উপাসনাৰ বাবে সৃজন কৰিছে সি চিৰস্থায়ী চয়তানৰ উপাসক হ'ব আৰু খোদা তা'লাৰ উপাসক নহ'ব আৰু খোদা তা'লাৰ প্ৰেমেৰে ভৰ্তি শব্দ কেতিয়াও সিহঁতক সম্বোধন কৰি এয়া নক'ব যে,

(89:30-31) فَادْخُلِيْ فِيْ عِبٰدِيْ ۝ وَادْخُلِيْ جَنَّتِيْ ۝

গতিকে তুমি মোৰ ভৃত্যসকলৰ সৈতে প্ৰৱেশ কৰা,আৰু মোৰ উদ্যানত প্ৰৱেশ কৰা।

## আহমদীসকলৰ হাদীছৰ ওপৰত বিশ্বাস

কিছুমান লোকসকলে এই শংকাত আৱদ্ধ আছে যে, আহমদীসকল হাদীছক বিশ্বাস নকৰে আৰু কিছুমান লোক এই আৰোপ কৰে যে আহমদী ফিকা শাস্ত্ৰৰ ইমামসকলক নামানে। এই উভয় কথা ভুল। আহমদী অনুকৰণ আৰু অনুপস্থিতিৰ মছলাৰ বাট মুকলি ভাৱে অৱলম্বন কৰে। আহমদীৰ শিক্ষা এয়া যে, যি কথা মহম্মদ (ছাঃ)ৰ পৰা প্ৰমাণিত হয় তাৰ পিছত অইন কোনো আৰু মানৱৰ শব্দক শ্ৰৱণ কৰা মহম্মদ (ছাঃ)ৰ অৱমাননা কৰা হয়।

আকা (মালিক) থকা অৱস্থাত কোনো গোলামৰ আহ্বান শুনিব নোৱাৰে। শিক্ষকৰ উপস্থিতিত কোনো ছাত্ৰৰ পৰা শিক্ষা অৰ্জন কৰিব পৰা নাযায়। ফিকা শাস্ত্ৰবিদসকলৰ ইমাম যিমানেই ডাঙৰ হওঁক,সিহঁত মহম্মদ (ছাঃ)ৰ ছাত্ৰ আৰু মহম্মদ (ছাঃ)ৰ গোলাম হয়। সিহঁতৰ সকলোবোৰ মান-সন্মান মহম্মদ (ছাঃ)ৰ অনুকৰণত আছিল আৰু সিহঁতৰ সকলোবোৰ মৰ্যাদা মহম্মদ (ছাঃ)ৰ গোলামীত আছিল। গতিকে যেতিয়া কোনো কথা মহম্মদ (ছাঃ)ৰ পৰা প্ৰমাণিত হৈ যায় আৰু তাৰ চিহ্ন এয়া যে,সেই কথন যি ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি আৰোপ কৰা হয় আৰু সেয়া কোৰ-আন কৰীম অনুযায়ী হয়,তেন্তে সেই কথাই শেষ সিদ্ধান্ত হয়,সেয়া ইফাল-সিফাল হোৱা আদেশ নহয় আৰু নে কোনো ব্যক্তিয়ে এই কথাৰ অধিকাৰ ৰাখে যে সি এই আদেশক ৰদ কৰিব পাৰে বা তাৰ বিৰুদ্ধে মুখ খুলিব। হাদীছৰ ৰাৱী (বৰ্ণনাকাৰী) মানুহ হয় আৰু সিহঁতৰ মাজত পুণ্যবানো আছে পুণ্যবান বিনাও আছে,ভাল হাফিজও আছে আৰু বেয়া হাফিজও আছে,আৰু ভাল মস্তিষ্ক থকাও আছে আৰু দুৰ্বল মস্তিষ্ক থকাও আছে। যদি কোনো এনেকুৱা হাদীছ হয় যাৰ বিশদ কোৰ-আন কৰীমৰ পৰিপন্থী হয়,কাৰণ প্ৰত্যেক হাদীছ যুক্তিসংঙ্গত নহয় অৰ্থাৎ হাদীছৰ ইমাম অনুযায়ী কিছু হাদীছ যুক্তিসঙ্গত হয় আৰু কিছু সাধাৰণ শ্ৰেণীৰ হয়, কিছু সন্দেহমূলক আৰু কল্পিত হয় আৰু কিছু সুস্পষ্ট হয়, এই কাৰণে কোৰ-আন কৰীমৰ নিচিনা নিৰ্ভৰযোগ্য কিতাপৰ মোকাবিলাত যি হাদীছ আহি যায় সেইবোৰক গ্ৰহণ কৰি লোৱা নহ'ব। যদি কোৰ-আন কৰীমত কোনো আয়াত নাই হাদীছও এনেকুৱা কথা প্ৰমাণিত নকৰে যি বিশ্বাস আৰু যুক্তিসঙ্গতলৈ লৈ যায় বা হাদীছৰ শব্দাৱলী এনেকুৱা হয় যে তাৰ পৰা কেইবা প্ৰকাৰ অৰ্থ প্ৰকাশ হয় তেতিয়া সেই সময়ত নিশ্চিত ভাৱে ফিকাৰ ইমাম যিসকলে নিজৰ জীৱন কোৰ-আন আৰু হাদীছসমূহৰ ওপৰত চিন্তা-ভাৱনা কৰাত অতিবাহিত কৰিছে আৰু চেষ্টা প্ৰচেষ্টাৰ যোগ্য আৰু এজন সাধাৰণ মানুহ যিয়ে নে কোৰ-আনৰ

ওপৰত চিন্তা-ভাৱনা কৰিছে, নে হাদীছৰ ওপৰত চিন্তা-ভাৱনা কৰিছে বা তাৰ জ্ঞান আৰু বুজনি ইমানখিনিও যোগ্যতা নহয় যে, সি চিন্তা-ভাৱনা কৰিব পাৰে,তাৰ অধিকাৰ নাই যে তেওঁ ক'ব ইমাম আবু হানিফা (ৰহঃ)বা ইমান আহমদ (ৰহঃ) বা ইমাম শ্বাফী (ৰহঃ) বা ইমাম মালিক (ৰহঃ) বা আন ধাৰ্মিক ইমামৰ কি অধিকাৰ আছে যে,সিহঁতৰ কথা মোৰ কথাতকৈ বেছি নিৰ্ভৰযোগ্য। মইয়ো মুছলমান হওঁ আৰু সিও মুছলমান হয়। যদি এজন সাধাৰণ মানুহ আৰু এজন ডাক্তৰৰ ৰোগ সম্পৰ্কে বিতৰ্ক হয় তেতিয়া এজন ডাক্তৰৰ ৰায় সাধাৰণ মানুহৰ ৰায়ৰ ওপৰত প্ৰাধান্য দিয়া হয়,আৰু আইন সম্বন্ধে বিতৰ্ক হলে উকিলৰ ৰায় আনৰ ৰায়ৰ ওপৰত প্ৰাধান্য দিয়া হয়,তেনেহলে কি কাৰণত ধৰ্মীয় বিষয়ত সেই ইমাম সকলৰ ৰায় প্ৰাধান্য দিয়া নহ'ব যিসকলে নিজৰ জীৱন কোৰ-আন আৰু হাদীছৰ ওপৰত চিন্তা-ভাৱনা কৰি অতিবাহিত কৰিছে আৰু যিসকলৰ মস্তিষ্কৰ ফতোৱাও বেলেগ লাখো মানুহতকৈ উন্নতমানৰ আৰু যিসকলৰ তাকৱা আৰু যিসকলৰ পৱিত্ৰতাৰ ওপৰত খোদায়ী আচৰণে মোহৰ মাৰি দিছে। অৰ্থাৎ আহমদী, নে পৰিপূৰ্ণভাৱে আহলে হাদীছৰ কথাৰ সহায়ক হয়, নে পৰিপূৰ্ণ ভাৱে অনুকৰণৰ সহায় কৰে। আহমদীৰ সহজ-সৰল আকিদা এই বিষয়ে সেয়াই হয় যি হজৰত ইমাম আবু হানিফা (ৰহঃ)ৰ আছিল যে কোৰ-আন কৰীমক সকলোবোৰৰ ওপৰত প্ৰাধান্য দিছে। তাৰ পিছত হাদীছসমূহ,তাৰ পিছত অভিজ্ঞতাসকলৰ দলিল আৰু চেষ্টা-প্ৰচেষ্টা হয়। এই আকিদা মতে আহমদী কেতিয়াবা নিজকে হানফীও কয়,যাৰ অৰ্থ এয়াও হয় যে ইমাম আবু হানিফা (ৰহঃ)য়ে যি আচল ধৰ্মক বৰ্ণনা কৰিছে আমি তাক সঠিক বুলি জ্ঞান কৰো আৰু কেতিয়াবা আহমদী নিজকে আহলে হাদীছও কৈ দিয়ে কাৰণ আহমদীৰ দৃষ্টিত মহম্মদ (ছাঃ)ৰ কথন যেতিয়া সেয়া প্ৰমাণিত আৰু উজ্জ্বলময় হয় সকলো মানুহৰ কথনৰ ওপৰত প্ৰাধান্যতা ৰাখে,অৰ্থাৎ সকলোবিলাক ইমামৰ সৰ্বসন্মিলিত কথনক প্ৰাধান্যতা দিয়ে।

## আহমদীসকলৰ তকদিৰ (ভাগ্য) সম্পৰ্কে আকিদা (বিশ্বাস)

সেই ভুল বুজা-বুজিৰ মাজত যিসকলে অৱগত নহয়,সিহঁতে আহমদীয়া জামাত সন্বন্ধে কয় যে আহ্মদী লোক তকদিৰ (ভাগ্য)ৰ অস্বীকাৰকাৰী।

আহ্মদীসকল তকদিৰ (ভাগ্যৰ) কেতিয়াও অস্বীকাৰকাৰী নহয়। আমি এই কথা স্বীকাৰ কৰো যে,খোদা তা'লাৰ তকদিৰ এই দুনিয়াত জাৰি আছে আৰু কিয়ামতলৈ অব্যাহত থাকিব আৰু তাৰ তকদিৰক কোনোবাই পৰিৱৰ্তন কৰিব নোৱাৰে। আমি কেৱল এই কথাৰ বিৰোধী হয় যে,চোৰৰ চুৰি,বেনমাজীৰ নমাজ পৰিত্যাগ কৰা,মিছলীয়াৰ মিছা,প্ৰবঞ্চনাকাৰীৰ প্ৰতাৰণা, হত্যাকাৰীৰ হত্যা,ব্যভিচাৰীৰ ব্যভিচাৰক খোদা তা'লাৰ ফালে আৰোপিত  কৰা হওঁক,আৰু নিজৰ মুখৰ ক'লাপন খোদা তা'লাৰ মুখত ঘঁহাৰ চেষ্টা কৰা হওঁক। আমাৰ দৃষ্টিত খোদা তা'লাই এই দুনিয়াত তকদিৰ( ভাগ্য)ক দুটা নালা (সৰু নদী) এটা সময়তেই চলাইছে,

(55:21) بَيْنَهُمَا بَرْزَخٌ لَّا يَبْغِيٰنِ ﴿٢١﴾

ৰ ইৰশ্বাদ মতে এই উভয়ৰ মাজত এক এনেকুৱা সীমা নিৰ্দ্দিষ্ট কৰি দিছে যে এয়া কেতিয়াও পৰস্পৰে সংঘৰ্ষিত নহয়। তদবিৰ (কৌশল)ৰ ময়দান নিজৰ ঠাইত হয়,আৰু তকদিৰ (ভাগ্য)ৰ ময়দান নিজৰ ঠাইত,যি কামৰ বাবে খোদা তা'লা নিজৰ তকদিৰক( ভাগ্যক)বাধ্যতামূলক কৰি দিছে তাতে তদবিৰ (কৌশল)একোৱেই কৰিব নোৱাৰে আৰু যি কামৰ বাবে তেওঁ তদবিৰৰ (কৌশলৰ) বাট মুকলি কৰিছে তাত তকদিৰৰ ওপৰত আশা কৰি বহি থকা নিজৰ ভৱিষ্যতৰ জীৱন ধ্বংসৰ গ্ৰাসলৈ লৈ যোৱা হয়। অৰ্থাৎ আমি যি কথাৰ বিৰোধী সেয়া এই যে,মানুহ নিজৰ বেয়া কৰ্মক তকদিৰৰ পৰ্দাত গুপ্ত ৰখাৰ চেষ্টা কৰে আৰু  নিজৰ আলস্যক তকদিৰৰ শব্দৰ পৰা ওলাই দিয়ক আৰু য'ত খোদা তা'লা তদবিৰৰ (কৌশলৰ) আদেশ দিছে তাত তকদিৰৰ ওপৰত আঁচ লগাই বহি আছে, কাৰণ তাৰ

ফলাফল সদায় ভয়ানক হয়। মুছলমান খোদাৰ তকদিৰ (ভাগ্য)ৰ ওপৰত দৃষ্টি ৰাখি বহি আছে আৰু চেষ্টা-প্রচেষ্টাক সিহঁতে পৰিত্যাগ কৰি দিছে যি জাতিৰ উন্নতিৰ বাবে জৰুৰী হয়। তাৰ ফলাফল এয়া হ'ল যে, ধৰ্মৰ পৰা আঁতৰ হৈছে,দুনিয়াৰ পৰাও অতিবাহিত হৈ গৈছে। যদি সিহঁত এই কামবোৰৰ প্রতি লক্ষ্য ৰাখে যে,যি কামৰ বাবে খোদা তা'লা তদবিৰ (কৌশলৰ) দুৱাৰ মুকলি কৰিছে তাত তকদিৰ (ভাগ্য)ৰ লক্ষ্য দৃষ্টি গোচৰ হোৱাৰ পৰিৱৰ্তে তদবিৰক দৃষ্টি ৰখা উচিত,তেতিয়া সেইবোৰৰ অৱস্থা ইমান নিম্নত নহ'ল হয় আৰু ইমান বেয়া অৱস্থা নহ'ল হয় যিমান এতিয়া হৈছে।

## আহমদীসকলৰ জিহাদ সম্পৰ্কে আকিদা

আহমদী সম্পৰ্কে মানুহৰ যি ভুল ধাৰণা তাৰ মাজৰ এটা এয়া হয় যে, আহমদীসকলে জিহাদৰ অস্বীকাৰকাৰী। এয়া সঠিক নহয়, আহমদীসকলে জিহাদৰ অস্বীকাৰী নহয়। আহমদীসকলৰ আকিদা মাথোঁ এয়া যে,যুদ্ধ দুই ধৰণৰ হয়,এটা জিহাদ আৰু আনটো কেৱল যুদ্ধ। জিহাদ মাথোঁ সেই যুদ্ধক কয় য'ত ধৰ্মক বচোৱাৰ বাবে যুদ্ধ কৰা হয় আৰু এনেকুৱা শত্ৰুৰ সৈতে মোকাবিলা কৰা হয় যিয়ে ধৰ্মক তৰোৱালৰ বলেৰে শেষ কৰিব বিচাৰে আৰু যি তৰোৱালৰ মূৰৰ দ্বাৰা আকিদা (বিশ্বাস)ক পৰিৱৰ্তন কৰাব বিচাৰে,যদি পৃথিৱীত এনেকুৱা ঘটনা প্রকাশ হয় তেতিয়া জিহাদ প্রত্যেক মুছলমানসকলৰ বাবে বাধ্যতামূলক হৈ যায়,কিন্তু এনেকুৱা জিহাদৰ বাবে এটা এয়াও চৰ্ত আছে যে, এই জিহাদৰ ঘোষণা ইমামৰ ফালৰ পৰা হোৱা উচিত,যাতে মুছলমানসকলে জানিব পাৰে যে,সিহঁতৰ মাজৰ পৰা কোনে কোনে জিহাদত অংশ গ্ৰহণ কৰা উচিত,আৰু কোনে কোনে নিজৰ সময়ৰ অপেক্ষা কৰা উচিত। যদি এনেকুৱা নহয় তেতিয়া এনেকুৱা জিহাদৰ সুযোগ অহাত যি মুছলমানসকলে জিহাদত অংশ গ্ৰহণ নকৰিব সি পাপী হ'ব,কিন্তু যদি ইমাম থাকে তেন্তে সেই মুছলমানসকল পাপী হ'ব যাক জিহাদৰ বাবে মাতে আৰু

সিহঁত নাহে। যেতিয়া আহমদী জামাত কোনো ৰাষ্ট্ৰত জিহাদক অস্বীকাৰ কৰিছিল সেয়া এই কাৰণে কৰিছিল যে ধৰ্মক তৰোৱালৰ বলেৰে পৰিৱৰ্তন কৰাৰ চেষ্টা ইংৰাজসকলে কৰা নাছিল। যদি আহ্মদী জামাতৰ ধাৰণা ভুল আছিল আৰু সত্যিকাৰ অৰ্থে ইংৰাজসকলে তৰোৱালৰ বলেৰে ধৰ্মক পৰিৱৰ্তন কৰাৰ চেষ্টা কৰিছিল,তেনেহলে জিহাদ নিশ্চিতভাৱে ওৱাজিব আছিল,কিন্তু প্ৰশ্ন এয়া হয় যে, জিহাদ ওৱাজিব হৈ যোৱাৰ পিছত প্ৰত্যেক মুছলমানসকলে তৰোৱাল উঠাই ইংৰাজৰ সৈতে মোকাবিলা কৰিছে নে? যদি কৰা নাই তেন্তে খোদা তা'লাক এই উত্তৰ দিব যে, আমাৰ ওচৰত এতিয়ালৈকে জিহাদৰ সময় অহা নাছিল,যদি আমি ভুল কৰিছোঁ সেই ভুল ইজতিহাদী আছিল,কিন্তু সিহঁতৰ বিৰোধী মৌলবীসকলে কি উত্তৰ দিব? সিহঁতে এয়া ক'ব নে যে,হে খোদা জিহাদৰ সময়তো আছিল আৰু আমি বিশ্বাস স্থাপন কৰিছিলোঁ যে,এয়া জিহাদৰ সময় হয় আৰু আমি ভাৱিছিলো যে জিহাদ ফৰজ হৈ গৈছে,কিন্তু হে আমাৰ খোদা আমি জিহাদ কৰা নাই কাৰণ আমাৰ হৃদয় ভয় খাইছিল আৰু নে আমি সেইলোকসকলক জিহাদ কৰাৰ বাবে আগলৈ পঠাইছো যিসকলৰ হৃদয় ভীতিগ্ৰস্ত হৈছিল,কাৰণ আমি ভয় কৰিছিলোঁ যে এনেকুৱা কৰিলে ইংৰাজসকলে আমাক ধৰি ল'ব। মই এই সিদ্ধান্ত ন্যায়পৰায়ণ ব্যক্তিসকলৰ ওপৰত এৰি দিলো যে সেই উভয় উত্তৰৰ কোনটো উত্তৰ খোদা তা'লাৰ কাষত বেছি গ্ৰহণযোগ্য হয়।

এতিয়ালৈকে মই যি কিছু কৈছো সেইলোকসকলৰ শংকা দূৰ কৰাৰ বাবে কৈছো যিসকলে আহমদীৰ বিষয়ে জানিবৰ বাবে অলপো অধ্যয়ন নকৰে আৰু যিসকলে আহমদীয়তৰ পয়গামক সিহঁতৰ শত্ৰুৰ পৰা শুনে বা আহ্মদীৰ বিষয়ে অধ্যয়ন কৰা অবিহনে নিজৰ হৃদয়ত আহমদীৰ আকিদা আৰু আহ্মদীৰ শিক্ষা বনাব খোজে। এতিয়া মই সেই লোকসকলক সম্বোধন কৰিব বিচাৰো যিসকলে আহমদীৰ বিষয়ে অলপ পৰিমাণে অধ্যয়ন কৰিছে আৰু যিসকলে জানে যে,আহমদী খোদা তা'লাৰ তৌহিদৰ বিশ্বাসী, মহম্মদ

(ছাঃ)ৰ ৰিছালতৰ ওপৰত বিশ্বাস ৰাখে,কোৰ-আন কৰীমক জানে, হাদীছসমূহ জানে,নমাজ পঢ়ে,ৰোজা ৰাখে,হজ্ব কৰে,জাকাত দিয়ে,হিচাপ-কিতাপ আৰু কিয়ামতৰ দিনৰ ওপৰত বিশ্বাস ৰাখে,কিন্তু সিহঁত হতভিম্ব যে যেতিয়া আহমদীসকল মুছলমানৰ নিচিনাই মুছলমান হয় তেন্তে এই নতুন দল প্ৰতিষ্ঠিত কৰাৰ কিয় প্ৰয়োজন হ'ল ? সিহঁতৰ দৃষ্টিত আহমদীসকলৰ আকিদা আৰু আহমদীসকলৰ কৰ্ম অভিযোগৰ যোগ্য নহয়,কিন্তু সিহঁতৰ দৃষ্টিত এটা নতুন জামাত বনোৱা অভিযোগমূলক কাৰ্য হয় কাৰণ যদি পাৰ্থক্য একোৱেই নহয় তেন্তে ফিৰকা বনোৱাৰ কিয় প্ৰয়োজন হ'ল আৰু যদি ভিন্নতা নাই তেন্তে পৃথক মছজিদ বনোৱাৰ উদ্দেশ্য কিয় ?

## নতুন জামাত বনোৱাৰ কাৰণ

এই প্ৰশ্নৰ উত্তৰ দুই ধৰণে দিব পৰা যায়। যুক্তিসঙ্গত হিচাপে আৰু আধ্যাত্মিক হিচাপে। যুক্তিসঙ্গত হিচাপে এই প্ৰশ্নৰ উত্তৰ এয়া হয় যে, জামাত মাথোঁ সংখ্যাৰ নাম নহয়। হাজাৰ,লাখ বা কোটি সদস্যক জামাত নকয়, অৰ্থাৎ জামাত সেই সদস্যসকলৰ একগোটক কোৱা হয় যিয়ে ঐক্যবদ্ধ হৈ কাম কৰাৰ সিদ্ধান্ত কৰিছে আৰু এক ঐক্যবদ্ধ প্ৰোগ্ৰাম অনুযায়ী কাম কৰি আছে এনেকুৱা সদস্য যদি পাঁচ,সাতজনও হয় তথাপি জামাত হয় আৰু যিসকলৰ মাজত এয়া নাই সিহঁতৰ কোটি সংখ্যাও জামাত নহয়। ৰছুলে কৰীম (ছাঃ)য়ে যেতিয়া মক্কাত নবুয়তৰ দাবী কৰে,প্ৰথম দিনাই তেখেত (ছাঃ)ৰ ওপৰত চাৰি জন মানুহ ঈমান আনিছিল,তেখেত (ছাঃ) পঞ্চম আছিল,পাঁচজন হোৱা সত্ত্বেও তেখেতসকল এক জামাত আছিল,কিন্তু মক্কাৰ ৮/১০ হাজাৰ জনবসতি জামাত নাছিল,নে আৰবৰ জনবসতি জামাত আছিল। কাৰণ সিহঁতৰ মাজত ঐক্যবদ্ধ হৈ কাম কৰাৰ সিদ্ধান্ত নাছিল,আৰু নে সিহঁতৰ মাজত ঐক্যবদ্ধ প্ৰোগ্ৰাম আছিল,অৰ্থাৎ এই ধৰণৰ প্ৰশ্ন উত্থাপন কৰাৰ আগতে এয়া চোৱা উচিত যে এতিয়া মুছলমানৰ কোনো জামাত

আছে নে ? দুনিয়াৰ মুছলমান সকলোবোৰ বিষয়াৱলীত পৰস্পৰ পৰস্পৰৰ সৈতে মিলিত হৈ কাম কৰাৰ সিদ্ধান্ত কৰিছে নে বা সিহঁত কোনো সংযুক্ত ভাৱে প্ৰোগ্ৰাম কৰিছে নে ? যথাসম্ভৱ সহানুভূতিৰ প্ৰশ্ন মই স্বীকাৰ কৰো যে মুছলমানসকলৰ হৃদয়ত পৰস্পৰ পৰস্পৰৰ সম্পৰ্কে সহানুভূতি আছে,কিন্তু সেয়া সকলোবোৰ মুছলমানৰ মাজত নাই। কিছু সংখ্যকৰ হৃদয়ত আছে আৰু কিছুমানৰ হৃদয়ত নাই। আকৌ এনেকুৱা কোনো ব্যৱস্থাপনা নাই যাৰ জৰিয়তে মতভেদ দূৰ কৰিব পাৰে। মতভেদ জামাতৰ মাজতো হয়। ৰছুলে কৰীম (ছাঃ)ৰ যুগতেও কেতিয়াবা আনছাৰ আৰু মুহাজিৰিণৰ মাজত মতভেদ হৈছে আৰু কেতিয়াবা কিছুমান আন কবিলাৰ সৈতে মতবিৰোধ হৈছে,কিন্তু যেতিয়া ৰছুলে কৰীম (ছাঃ)য়ে ফয়চালা কৰিছে তেতিয়া সেইবোৰ মতভেদ শেষ হৈ গৈছে। এইদৰে খলিফাৰ দিনবোৰতে মতভেদ সৃষ্টি হৈ গৈছিল,কিন্তু যেতিয়া কোনো মতভেদ সৃষ্টি হৈছিল তেতিয়া খলিফা ফয়চালা কৰিছিল আৰু সেই মতভেদ শেষ হৈ গৈছিল। খলিফাৰ কাল সমাপ্ত হোৱাৰ পিছতো ৭০ বছৰলৈকে মুছলমান এক শাসনৰ অধীনত থাকিছে,য'ত য'ত মুছলমান আছিল তাতে এক ব্যৱস্থাপনাৰ অনুকৰণত আছিল। সেই ব্যৱস্থাপনা বেয়া আছিল বা ভাল আছিল,অৰ্থাৎ সেই ব্যবস্থাপনাই মুছলমানসকলক এক বন্ধনত বান্ধি ৰাখিছিল। তাৰ পিছত মতবিৰোধ হয় আৰু মুছলমান দুই দলত বিভক্ত হৈ পৰে। স্পেইনৰ এক দল হৈ যায় আৰু বাকী দুনিয়াৰ এটা দল হৈ যায়। এই মতভেদতো আছিল কিন্তু বহু সীমাবদ্ধতা মতভেদ আছিল। দুনিয়াৰ বহু অংশত মুছলমানতো আছিল তথাপি এক ব্যৱস্থাপনাৰ অধীনত চলি আছিল,কিন্তু তিনি শ বছৰ অতিবাহিত হোৱাৰ পিছত এনেকুৱা ভাৱে বিভাজন হয় যে সকলোবিলাক মুছলমানৰ মাজত মতভেদ সৃষ্টি হৈ গ'ল আৰু সিহঁতৰ মাজত অগ্নি জ্বলি উঠিল আৰু বিভাজন সৃষ্টি হৈ গ'ল। ৰছুলে কৰীম (ছাঃ)য়ে সঁচা কৈছে যে,

خَيْرُ الْقُرُوْنِ قَرْنِيْ ثُمَّ الَّذِيْنَ يَلُوْنَهُمْ ثُمَّ الَّذِيْنَ يَلُوْنَهُمْ يَفْشُوْا الْكَذِبُ

(মুছলিম কিতাবুলফজাইল ফি ফাজলিছ ছাহাবাতু ছুম্মাল্লাজিনা ইয়ালুনাহুম) সকলোতকৈ উত্তম শতাব্দী মোৰ হয় তাৰ পৰা তলত সেইলোকসকল হ'ব যি দ্বিতীয় শতাব্দীত হ'ব আৰু তাৰ পৰা তলত সেই লোকসকল হ'ব যি তৃতীয় শতাব্দীত হ'ব। আকৌ পৃথিৱীৰ পৰা সততা সমাপ্ত হৈ যাব আৰু অত্যাচাৰী,নিৰ্যাতন আৰু মতভেদৰ যুগ হৈ যাব,আৰু এনেকুৱা হ'ল আৰু এই মতভেদ বৃদ্ধি পাব ধৰিলে,যোৱা তিনি শতাব্দীত মুছলমানসকল নিজৰ শক্তি হেৰুৱাই পেলালে। এনেকুৱা সময় আছিল যে ইউৰোপ এক এক মুছলমান বাদশ্বাহৰ ভয় কৰিছিল আৰু এতিয়া ইউৰোপ আৰু আমেৰিকাৰ এটা এটা শক্তিৰ মোকাবিলা কৰাৰ ক্ষমতা গোটেই বিশ্বৰ মুছমানৰো নাই। ইহুদীসকলৰ কিমান সৰু শাসন ফিলিস্তাইনত তৈয়াৰী হৈছে,শ্বাম, ইৰাক, লেবনান,ছঊদী আৰব,মিচৰ আৰু ফিলিস্তাইনৰ ফৌজসকলে ইয়াৰ মোকাবিলা কৰি আছে,কিন্তু সঁচা এয়া যে,UNO য়ে যিবিলাক এলেকা ইহুদীসকলক দিছিল তাৰ পৰা বহু বেছি পৰিমাণে এই সময় ইহুদীসকলৰ অধীনত আছে। এয়া সঠিক যে ইহুদী ৰাজত্বৰ সহায় আমেৰিকা আৰু বৃটেইন কৰি আছে, কিন্তু প্ৰশ্ন এয়া যে কেতিয়াবা মুছলমানৰ এটা এটা চৰকাৰ গোটেই পশ্চিমত বিজয় লাভ কৰিছিল আৰু পশ্চিমীয়াৰ কিছুমান চৰকাৰ সকলোবিলাক মুছলমানতকৈ বেছি শক্তিশালী আছিল। অৰ্থাৎ জামাতৰ যি অৰ্থ সেই অনুযায়ী মুছলমান সকলৰ কোনো জামাত নাই। চৰকাৰ আছে যাৰ মাজত সকলোতকৈ ডাঙৰ পাকিস্তানৰ চৰকাৰ হয় যি আল্লাহ তা'লাৰ কৃপাত এতিয়া প্ৰতিৰ্ষ্ঠিত হৈছে,কিন্তু ইছলাম পাকিস্তানৰ নাম নহয়, নে ইছলাম মিচৰৰ নাম হয়,নে ইছলাম শ্বামৰ নাম হয়,নে ইছলাম ইৰাণৰ নাম হয়,নে ইছলাম আফগানিস্তানৰ নাম হয়,নে ইছলাম ছঊদী আৰবৰ নাম হয়,ইছলাম সেই একক বন্ধনৰ নাম হয় যিয়ে গোটেই মুছলমানসকলক একত্ৰিত কৰি

দিছিল আৰু এনেকুৱা কোনো ব্যৱস্থাপনা পৃথিৱীত এতিয়া নাই; নে পাকিস্তান আফগানিস্তানৰ সকলোবোৰ কথা মানি লোৱাৰ বাবে প্ৰস্তুত আছে, নে আফগানিস্তান পাকিস্তানৰ প্ৰত্যেক কথা মানি লোৱাৰ বাবে প্ৰস্তুত আছে। উভয় দেশৰ ৰাজনৈতিক পৃথক পৃথক,আৰু উভয় দেশ নিজৰ আভ্যন্তৰীণ বিষয়াৱলীত স্বাধীন হয়। এনে পৰিস্থিতি সদস্যসকলৰ হয়। আফগানিস্তানৰ বাসিন্দা নিজৰ ঠাইত স্বাধীন হয়। পাকিস্তানৰ বাসিন্দা নিজৰ ঠাইত স্বাধীন হয়। মিচৰৰ বাসিন্দা নিজৰ ঠাইত স্বাধীন হয়। সিহঁতৰ মাজত একজোট হোৱাৰ কোনো বস্তু নাই। অৰ্থাৎ এতিয়া মুছলমানও আছে আৰু মুছলমানৰ চৰকাৰও আছে তাৰ মাজত কিছুমান চৰকাৰ খোদা তা'লাৰ কৃপাত শক্তিশালী হৈ আছে, তথাপি মুছলাম এক জামাত নহয়। ফৰজ কৰা পাকিস্তানৰ বেড়া (তৰোৱালৰ মিয়ান বন্ধা ফিতা ইত্যাদি) যদি ইমান শক্তিশালী হৈ যায় যে, সকলো বেহৰায়ে হিন্দত ৰাজত্ব কৰিব ধৰে,সিহঁতৰ ফৌজ ইমান শক্তিশালী হৈ যায় যে,হিন্দুস্থানৰ ইউনিয়ন সেয়া দেখি কঁপিব ধৰে। তাৰ অৰ্থনৈতিক অৱস্থা ইমান বৃদ্ধি পাই যায় যে, পৃথিৱীৰ বজাৰসমূহো সিহঁতৰ অধীন হৈ যায়,অৰ্থাৎ তাৰ ইমান শক্তি বৃদ্ধি পায় যায় যে আমেৰিকাৰ শক্তিতকৈয়ো বেছি হৈ যায়,তেতিয়া ইৰাণ,শ্বাম,ফিলিস্তাইন আৰু মিচৰ নিজকে পাকিস্তানত মিলিত হোৱাৰ বাবে প্ৰস্তুত হৈ যাব নে ? এয়া স্পষ্ট যে নহয়,সিহঁত পাকিস্তানৰ মৰ্যাদাৰ স্বীকাৰোক্তিৰ বাবে তৈয়াৰ হ'ব সিহঁত পাকিস্তানৰ সৈতে সহানুভূতিৰ বাবে প্ৰস্তুত হৈ যাব,কিন্তু সিহঁত নিজৰ অস্তিত্বক নিঃশেষ কৰাৰ বাবে প্ৰস্তুত নহ'ব। অৰ্থাৎ খোদা তা'লাৰ কৃপাত মুছলমানসকলৰ ৰাজনৈতিক অৱস্থা উন্নীত হৈ আছে আৰু কিছুমান নতুন ইছলামী চৰকাৰ প্ৰতিষ্ঠিত হৈ আছে,এয়া হোৱা সত্ত্বেও দুনিয়াৰ মুছলমানসকলক এক ইছলামী জামাত ক'ব নোৱাৰে,কাৰণ সিহঁত ভিন্ন ভিন্ন ৰাজনৈতিকৰ সৈতে জড়িত হৈ আছে আৰু পৃথক পৃথক ৰাজত্বত বিভাজন হৈ আছে,ইহঁতৰ আহ্বানক এঠাইত একত্ৰিত কৰাৰ কোনো শক্তি নাই। ইছলাম বিশ্বব্যাপী হোৱাৰ দাবী কৰে। ইছলাম

আৰবৰ মুছলমানসকলৰ নাম নহয়,ইছলাম শ্বামৰ মুছলমানসকলৰ নাম নহয়,ইছলাম ইৰাণৰ মুছলমানৰ নাম নহয়,ইছলাম আফগানিস্তানৰ মুছলমানসকলৰ নাম নহয়। যেতিয়া দুনিয়াৰ প্ৰত্যেক ৰাষ্ট্ৰৰ মুছলমান ইছলামৰ নামৰ তলত ঐক্যবদ্ধ হৈ যায় তেতিয়াই ইছলামী জামাত হ'ব পাৰিব যিয়ে এই সকলোবোৰ দলক ঐক্যবদ্ধ কৰিব পাৰিব। আৰু যেতিয়ালৈকে এনেকুৱা জামাত পৃথিৱীত প্ৰতিষ্ঠিত নহয় আমি এয়া ক'বলৈ বাধ্য যে,আমাৰ মুছলমানসকলৰ মাজত কোনো জামাত নাই যদিওবা চৰকাৰ আছে আৰু ৰাজনৈতিক আছে।

এইদৰে একত্ৰিত ভাৱে প্ৰোগ্ৰাম হোৱাৰ প্ৰশ্ন য'ত এনেকুৱা কোনো ব্যৱস্থাপনা নাই যিয়ে গোটেই পৃথিৱীৰ মুছলমানসকলক ঐক্যবদ্ধ কৰিব পাৰে তাত মুছলমানসকলৰ কোনো ঐক্যবদ্ধ প্ৰোগ্ৰামও নাই,নে ৰাজনৈতিক,নে সভ্যতাৰ,নে ধৰ্মীয়। ব্যক্তিগত ভাৱে কোনো মুছলমানসকলৰ শত্ৰুৰ সৈতে মোকাবিলা কৰা পৃথক কথা আৰু একত্ৰিত ভাৱে এখন বিশেষ ব্যৱস্থাপনাৰ অধীনত চাৰিওফালৰ শত্ৰুৰ আক্ৰমণৰ সন্ধান লৈ সিহঁতৰ সৈতে মোকাবিলা কৰাৰ চেষ্টা কৰা পৃথক বিষয়। অৰ্থাৎ প্ৰোগ্ৰাম হিচাপে মুছলমান এক জামাত নহয়। এই ক্ষেত্ৰত যদি কোনো জামাত প্ৰতিষ্ঠিত হয় আৰু উল্লেখিত উভয় উদ্দেশ্যক লৈ প্ৰতিষ্ঠিত হয় তেতিয়া তাৰ ওপৰত এই অভিযোগ উত্থাপন কৰিব নোৱাৰে যে, সেয়া এটা নতুন জামাত প্ৰতিষ্ঠিত হৈছে,অৰ্থাৎ এয়া কোৱা উচিত যে,আগতে কোনো জামাত নাছিল এতিয়া এক জামাত তৈয়াৰ হৈ গৈছে।

মই সেই বন্ধুসকলক কওঁ যিসকলৰ হৃদয়ত এই সন্দেহ জাগৰণ হয় যে একেই নমাজ হোৱা সত্ত্বেও,এটা কিবলা,এখন কোৰ-আন আৰু এজন ৰছুল হোৱা সত্ত্বেও আহমদী জামাতে এটা পৃথক জামাত কিয় তৈয়াৰ কৰিছে,কওঁ যে,সিহঁতে এই ফালে চিন্তা-ভাৱনা কৰক যে ইছলামক আকৌ এটা জামাত বনোৱাৰ সময় আহি গৈছে এই কামৰ বাবে কেতিয়ালৈকে

অপেক্ষা কৰি থাকিব ? মিচৰৰ চৰকাৰ নিজৰ ঠাইত নিজৰ কাম কৰি আছে। ইৰাণৰ চৰকাৰ নিজৰ ঠাইত নিজৰ কাম কৰি আছে। আফগানিস্তান চৰকাৰ নিজৰ ঠাইত নিজৰ কাম কৰি আছে। আন ইছলামী চৰকাৰ নিজৰ ঠাইত নিজৰ কাম কৰি আছে,কিন্তু সিহঁতৰ উপস্থিতিত এটা স্থান বাকী আছে, এটা দুৰ্বলতা আছে আৰু সেই স্থান আৰু সেই দুৰ্বলতাক পূৰ্ণ কৰাৰ কাৰণে আহমদীয়া জামাত প্ৰতিষ্ঠিত হৈছে।

যেতিয়া তুৰ্কীৰ খিলাফতক তুৰ্কীসকলে শেষ কৰি দিলে তেতিয়া মিচৰৰ কিছুমান আলিমে (কিছুমান ৰহস্যদানসকলৰ কথা মতে মিচৰৰ বাদশ্বাহৰ ইঙ্গিতত) এক খলিফাৰ আন্দোলন আৰম্ভ কৰে আৰু এই আন্দোলনৰ পৰা সিহঁতৰ উদ্দেশ্য এয়া আছিল যে,মিচৰৰ বাদশ্বাহক মুছলমানসকলৰ খলিফা বুলি মানি লোৱা হওঁক আৰু এইদৰে মিচৰক আন ইছলামী ৰাষ্ট্ৰসমূহৰ ওপৰত যেন প্ৰাধান্য অৰ্জিত হৈ যায়। ছঈদী আৰবে ইয়াৰ বিৰোধীতা আৰম্ভ কৰি দিলে আৰু এই চক্ৰান্ত আৰম্ভ কৰি দিলে যে এই আন্দোলন ইংৰাজসকলে উঠাইছে,যদি কোনো ব্যক্তি খলিফাৰ যোগ্য হয় সেইজন ছঈদী আৰবৰ বাদশ্বাহ হয়। যথা সম্ভৱ খলিফাৰ সম্পৰ্ক সেয়া এক এনেকুৱা বন্ধন হয় যাৰ মাধ্যমে সকলো মুছলমান ঐক্যবদ্ধ হ'ব পাৰে, যেতিয়া এই খলিফা শব্দ কোনো বিশেষ বাদশ্বাহৰ সৈতে বিশিষ্ট হৈ যায় তেতিয়া আন বাদশ্বাহই তৎক্ষণাত অনুসন্ধান কৰিলে যে আমাৰ চৰকাৰৰ মাজত ভেদ সোমাই আছে আৰু সেই লাভবান আন্দোলন কাৰ্য্যবিহীন হৈয়ে থাকি গ'ল যদি এই আন্দোলন জনগণৰ মাজত সৃষ্টি হ'ল হয় আৰু ধৰ্মীয় আত্মা তাৰ পিছফালে কাম কৰিল হয় তেতিয়া ৰাজনৈতিক শত্ৰুতা তাৰ পথত অগ্ৰসৰ হ'ব নোৱাৰিল হয়,কেৱল জামাতি শত্ৰুতাই তাৰ পথত বাধা হৈ থিয় দিলে হয়। ৰাজনৈতিক শত্ৰুতাৰ কাৰণে এনেকুৱা আন্দোলন এই ৰাষ্ট্ৰত সীমাবদ্ধ হৈ থাকি যাব যি চৰকাৰ তাৰ সহায়ক হ'ব কিন্তু জামাতি বিৰোধীতাৰ ক্ষেত্ৰত সেয়া কোনো ৰাষ্ট্ৰত সীমাবদ্ধ নাথাকিব,প্ৰত্যেক ৰাষ্ট্ৰত

যাব আৰু বিস্তাৰ লাভ কৰিব আৰু নিজৰ শিপা তৈয়াৰ কৰিব,অৰ্থাৎ এনেকুৱা ৰষ্ট্ৰত লাভালাভ হ'ব য'ত ইছলামী ৰাজত্ব নাথাকিব,কাৰণ ৰাজনীতি সংঘৰ্ষ নোহোৱাৰ কাৰণে আৰম্ভণীৰ যুগত চৰকাৰ ইয়াৰ বিৰোধীতা নকৰিব। অৰ্থাৎ আহমদীৰ ইতিহাসত এই কথাৰ সাক্ষী আছে। আহমদীৰ উদ্দেশ্য কেৱল মুছলমানসকলৰ মাজত মহববত (ভালপোৱাৰ সৈতে ঐক্যতা) সৃষ্টি কৰা আছিল। আহমদীসকল বাদশ্বাহ হ'ব নিবিচাৰে,শাসন চলোৱাৰ ইচ্ছুক নহয়। ইংৰাজসকলে নিজৰ ৰাষ্ট্ৰত কেতিয়াবা আহমদীসকলক কষ্টও দিছে , কিন্তু বিশুদ্ধ ধাৰ্মিক হোৱাৰ কাৰণে সিহঁতৰ সৈতে সংঘৰ্ষ হোৱা প্ৰয়োজন বোধ হোৱা নাই। আফগানিস্তানত মৌলবীসকলে ভীতিগ্ৰস্ত হৈ কেতিয়াবা বাদশ্বাই কঠোৰতা প্ৰয়োগ কৰিছে কিন্তু ব্যক্তিগত মিলা-প্ৰীতিত নিজৰ দুৰ্বলতা প্ৰকাশ কৰিছে আৰু লজ্জিত প্ৰকাশ কৰিছে। এইদৰে আন ইছলামী ৰষ্ট্ৰসমূহত জনগণই বিৰোধীতা কৰিছে। আলিমসকলে বিৰোধীতা কৰিছে আৰু সিহঁতৰ ভয়ত চৰকাৰেও কেতিয়াবা বাধা প্ৰধান কৰিছে,কিন্তু কোনো চৰকাৰে এয়া ভৱা নাই যে,এই আন্দোলন আমাৰ চৰকাৰৰ গদি (আসন)নমাবলৈ প্ৰতিষ্ঠিত হৈছে,আৰু সিহঁতৰ এই ধাৰণা একেবাৰে সঠিক আছিল।

আহদমীয়তৰ ৰাজনীতি কৰা উদ্দেশ্য নহয়, আহমদীয়ত কেৱল এই উদ্দেশ্য লৈ থিয় হৈছে যে মুছলমানসকলৰ ধাৰ্মিক অৱস্থাক শুধৰণী কৰা আৰু এক বন্ধন সৃষ্টি কৰা যাতে সিহঁত সকলোৱে মিলি ইছলামৰ শত্ৰুসকলৰ চৰিত্ৰ আৰু ভিতৰুৱা অস্ত্ৰৰ সৈতে মোকাবিলা কৰিব পাৰে। এই কথা বুজি পাই আমেৰিকালৈ আহমদী মুবাল্লিগ যায়। যেনেকুৱা সিহঁত এছিয়াৰ বিৰোধীতা কৰিছিল,তেনেকুৱাই আহমদী মুবাল্লিগসকলৰ সৈতে বিৰোধীতা কৰিলে। যথা সম্ভৱ ধাৰ্মিক আন্দোলনৰ প্ৰশ্ন আছিল সেই ক্ষেত্ৰত সিহঁত বিৰোধীতা নকৰিলে। ডচ চৰকাৰে ইণ্ডোনেচীয়াতো এই পদ্ধতিত কাম কৰিলে,যেতিয়া সিহঁতে দেখিব পাৰিলে যে ৰাজনীতিৰ ক্ষেত্ৰত সিহঁত আমাৰ সৈতে সংঘৰ্ষ নকৰে তেতিয়া সিহঁত গুপ্ত ভাৰে নিৰীক্ষণ কৰিলে,সিহঁত অমনোযোগী

হলে আৰু আহমদীৰ সৈতে সংঘৰ্ষ হোৱাৰ প্ৰয়োজনবোধ বুলি নেভাৱিলে। এই ক্ষেত্ৰত সিহঁত সত্যত আছিল। অৰ্থাৎ আমি সিহঁতক ধৰ্মৰ বিৰোধ প্ৰচাৰ কৰিছিলোঁ এই কাৰণে আমি সিহঁতৰ সৈতে সহানুভূতিৰ আশা কৰা নাছিলো,কিন্তু আমি সিহঁতৰ ৰাজনীতিৰ সৈতে সংঘৰ্ষ হোৱা নাছিলো,এই কাৰণে সিহঁতৰো এনেকুৱা কোনো অধিকাৰ নাছিল যে আমাৰ সৈতে পৰোক্ষভাৱে সংঘৰ্ষ হ'ব। ইয়াৰ ফলাফল এয়া হ'ল যে এতিয়া জামাত আহমদীয়া প্ৰায় প্ৰত্যেক ৰাষ্ট্ৰত প্ৰতিষ্ঠিত হৈছে। ভাৰতবৰ্ষত, আফগানিস্তানত, ইৰাণত,ইৰাকত,শ্বামত,ফিলিস্তাইনত,মিচৰত,ইটালিত,ছুই-জাৰলেণ্ডত, জাৰ্মানীত,ইংলেণ্ডত, ইউনাইটেট ষ্টেট আমেৰিকাত, ইণ্ডোনেচীয়াত, মালাইয়াত,ইষ্ট আৰু ওৱেষ্ট,আফ্ৰিকা,ইবেছিনা আৰ্জেণ্টিনা অৰ্থাৎ প্ৰত্যেক ৰাষ্ট্ৰত কম বেছি জামাত আছে।* আৰু সেই ৰাষ্ট্ৰৰ আচল চহৰবিলাকত জামাত আছে এয়া নহয় যে তাৰ কিছুমান হিন্দুস্থানী হৈ গৈছে আৰু সিহঁত এনেকুৱা বিশুদ্ধ লোক হয় যে নিজৰ জীৱন ইছলামৰ সেৱাৰ বাবে বিসৰ্জন দি আছে। এজন ইংৰাজ লেফটিনেণ্ট নিজৰ জীৱন বিসৰ্জন দি এই সময় মুবাল্লিগ হিচাপে ইংলেণ্ডত কাম কৰি আছে। নিয়মীত নমাজী হয়,মদ ইত্যাদিৰ কাষলৈ নাযায়। নিজেই পৰিশ্ৰম আৰু শ্ৰমিক কৰি টকা উপাৰ্জন কৰি টেৰেক্ট ইত্যাদি প্ৰকাশিত কৰে বা জলছা কৰে। আমি তেওঁৰ জীৱন নিৰ্বাহৰ বাবে ইমান কম পৰিমাণে টকা দিও যে ইংলেণ্ডৰ এজন চোহিটৰা (মেতৰ)ও ইয়াতকৈ বেছি উপাৰ্জন কৰে। এইদৰে জাৰ্মানীৰ এজন ব্যক্তিয়ে জীৱন উৎসৰ্গা কৰিছে,সেইজন ফৌজি অফিচাৰ হয় বৰ চেষ্টা-প্ৰচেষ্টাৰ ফলত জাৰ্মানীৰ পৰা ওলাবলৈ সফল হৈছে। এতিয়াই খবৰ আহিছে যে তেওঁ ছুইজাৰলেণ্ড গৈ পাইছে আৰু তাতে ভিজাৰ অপেক্ষা কৰি আছে। এই যুৱক ইছলামৰ সেৱাৰ বাবে বৰ উৎসা নিজৰ হৃদয়ত ৰাখে এই কাৰণে

*এয়া ১৯৪৮ চনৰ বিষয়াৱলী হয় ইয়াৰ পিছত আহমদীয়া জামাত দুনিয়াৰ অধিক সংখ্যক ৰাষ্ট্ৰত প্ৰতিষ্ঠিত হৈছে। প্ৰকাশক

পাকিস্তানলৈ আহি আছে,ইয়াত ইছলামৰ শিক্ষা পূৰ্ণ ভাৱে অৰ্জন কৰি কোনো আন ৰাষ্ট্ৰত ইছলামৰ প্ৰচাৰ কৰিব।

জাৰ্মানীৰ এজন যুৱক লিখক আৰু তেওঁৰ শিক্ষিত পত্নী জীৱন উৎসৰ্গা কৰাৰ ইচ্ছুক হৈ আছে আৰু সম্ভৱত অনতিপলমে তাই পাকিস্তানত ইছলামিক শিক্ষাৰ বাবে আহি যাব।

এইদৰে হলেণ্ডৰ এজন যুৱক ইছলামৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰাৰ ইচ্ছুক হৈছে আৰু সম্ভৱত অতি সোনকালে কোনো ৰাষ্ট্ৰত ইছলামৰ প্ৰচাৰ-প্ৰসাৰৰ কামত মগ্ন হৈ যাব। যদিওবা জামাত আহমদীয়া অতি নগন্য,কিন্তু দেখা উচিত যে তাৰ মাধ্যমে ইছলামী জামাত প্ৰতিষ্ঠিত হৈ আছে নে নাই ? প্ৰত্যেক ৰাষ্ট্ৰত কিছু না কিছু সদস্যই এই জামাতত অন্তৰ্ভুক্ত হৈ এক বিশ্বব্যাপী ঐক্যৰ বুনিয়াদ ৰাখি আছে আৰু প্ৰত্যেক ৰাজনৈতিক মান্যকাৰী লোকসকলৰ মাজৰ পৰা কিছু না কিছু মানুহ এই জামাতত অন্তৰ্ভুক্ত হৈ আছে। এনেকুৱা তাহৰিক (আন্দোলন)ৰ আৰম্ভণী প্ৰথমে সৰুৱেই হয় কিন্তু এসময়ত গৈ এক শক্তি অৰ্জিত হয় আৰু কিছু দিনতেই ঐক্য আৰু একতাৰ বীজ বপন কৰাত সফল হৈ যায়। স্পষ্ট যে ৰাজনৈতিক শক্তিৰ বাবে ৰাজনীতি জামাতৰ প্ৰয়োজন হয় আৰু ধৰ্মীয় আৰু চাৰিত্ৰিক শক্তিৰ বাবে ধাৰ্মীক আৰু চাৰিত্ৰিক জামাতৰ প্ৰয়োজন হয়। জামাতে আহমদীয়া ৰাজনীতিৰ পৰা এই কাৰণে পৃথক থাকে যে,যদি জামাত এই কথাত দখল দিয়ে তেন্তে সি নিজৰ কামত এলেহুৱা হৈ যাব।

## জামাত আহমদীয়াৰ প্ৰোগ্ৰাম

দ্বিতীয় প্ৰশ্ন প্ৰোগ্ৰামৰ, প্ৰোগ্ৰামৰ ক্ষেত্ৰত জামাত আহমদীয়াই এক ঐক্যবদ্ধ প্ৰোগ্ৰাম কৰে,আন কোনো জামাত ঐক্যবদ্ধ ভাৱে প্ৰোগ্ৰাম নকৰে। জামাত আহমদীয়া খ্ৰীষ্টানসকলৰ আক্ৰমণৰ পৰিপূৰ্ণ ভাৱে ধাৰণা লগাই প্ৰত্যেক ৰাষ্ট্ৰত সিহঁতৰ সৈতে মোকাবিলা কৰি আছে। এই সময় দুনিয়াৰ

সকলোতকৈ দুৰ্বল অঞ্চল আৰু কিছুমান ক্ষেত্ৰত সকলোতকৈ শক্তিশালী অঞ্চল আফ্ৰিকা হয়। খ্ৰীষ্টানসকলে এতিয়া নিজৰ সকলো শক্তিৰ দ্বাৰা আফ্ৰিকাত আক্ৰমণ চলাই আছে; এতিয়া সিহঁত মুকলি ভাৱে সেই ইচ্ছাক প্ৰকাশ কৰি আছে। ইয়াৰ পূৰ্বে কেৱল পাদৰীসকলৰ মস্তিষ্ক সিফালে গৈছিল। আকৌ ইংলেণ্ডৰ কনষ্ট্ৰিটিউ পাৰ্টী সিফালে অগ্ৰসৰ হৈছে, আৰু এতিয়া শ্ৰমিক পাৰ্টীও ঘোষণা কৰি দিছে যে,ইউৰোপৰ মুক্তিৰ মূল আফ্ৰিকাৰ উন্নতি আৰু তাৰ ব্যৱস্থাপনাৰ ওপৰত। কিন্তু ইউৰোপ ভাৱে যে এই উন্নতি আৰু ব্যৱস্থাপনা এই পদ্ধতিত ইউৰোপৰ বাবে উপকাৰ হ'ব পাৰে যেতিয়া তাৰ বাসিন্দা খ্ৰীষ্টান হৈ যায়। আহমদী এই ৰহস্যক ২৪ বছৰ পূৰ্বেই খুজি উলিয়াইছিল আৰু ২৪ বছৰ পূৰ্বে মুবাল্লিগ তাতে প্ৰেৰণ কৰে য'ত হাজাৰ হাজাৰ মানুহ খ্ৰীষ্টানৰ পৰা ওলাই আহি মুছলমান হৈছিল আৰু এতিয়া আফ্ৰিকাত সকলোতকৈ সুস্পষ্ট ইছলামী জামাত আহমদীয়া হয় যাৰ সৈতে মোকাবিলা কৰিবলৈ খ্ৰীষ্টানসকলে পিছুৱাই যাব ধৰিছে আৰু সিহঁতৰ লিটাৰেচাৰ ধাৰাবাহিক ভাৱে এই কথা প্ৰকাশ কৰিব ধৰিছে যে আহমদীয়া জামাতৰ চেষ্টা-প্ৰচেষ্টাই খ্ৰীষ্টান মিচনাৰীৰ চেষ্টাক বাতিল কৰি দিছে। এয়াই প্ৰচাৰ ছিলছিলা পূব আফ্ৰিকাত বছৰৰ পৰা অব্যাহত আছে,তাতে কামৰ এতিয়া আৰম্ভণী হয় যাৰ কাৰণে ফলাফল এতিয়া ইমান সৌন্দৰ্যপূৰ্ণ নহয় যিমান পশ্চিমীয়া আফ্ৰিকাত; তথাপি খ্ৰীষ্টানসকলৰ মাজৰ পৰা কিছু লোক মুছলমান হৈছে আৰু আশা কৰো যে কেইবা বছৰত ইয়াতো মুবাল্লিগসকলৰ চেষ্টা উন্নতৰ ফল সৃষ্টি কৰাত সক্ষম হ'ব। ইণ্ডোনেচীয়া আৰু মালাইয়াত দীৰ্ঘ কালৰ পৰা মিচন প্ৰতিষ্ঠিত আছে আৰু ইছলামৰ পৰা আঁতৰ হোৱা দলক স্থিৰ কৰোৱা,একত্ৰিত কৰা,একজোট কৰোৱাই শত্ৰুৰ সন্মুখীন হোৱাৰ বাবে চেষ্টা অব্যাহত আছে। ইউনাইটেট ষ্টেট আমেৰিকা খ্ৰীষ্টানসকলৰ শক্তিৰ মাজত এতিয়া সকলোতকৈ বেছি অগ্ৰগতি লাভ কৰি আছে,তাতেও ২৪ বছৰৰ পৰা আহমদী মুবাল্লিগ কাম কৰি আছে আৰু হাজাৰো আমেৰিকাৰ

বাসিন্দা আহমদী হৈ গৈছে আৰু হাজাৰো টকা বাৰ্ষিক ইছলামৰ প্ৰচাৰৰ বাবে ব্যয় কৰি আছে। আমেৰিকাৰ সম্পত্তিৰ মোকাবিলাত এয়া একোৱেই নহয় আৰু তাৰ পাদৰীসকলৰ চেষ্টাৰ মোকাবিলাত এয়া একেবাৰে অনৰ্থক প্ৰচেষ্টা হয়,কিন্তু প্ৰশ্ন এয়া যে মোকাবিলা আৰম্ভ কৰি দিয়া হৈছে আৰু বিজয় আমাক প্ৰদান হৈ আছে কাৰণ আমি খ্ৰীষ্টান জামাতৰ মানুহক কাঢ়ি আমাৰ ফালে আনি আছো। খ্ৰীষ্টানসকল আমাৰ মানুহক কাঢ়ি ল'ব পৰা নাই। অৰ্থাৎ এয়া কোৱা উচিত নহয় যে,আহমদীয়ে এটা নতুন জামাত কিয় প্ৰতিষ্ঠিত কৰিছে,এয়া কোৱা উচিত যে, আহমদীসকলে এটা জামাত প্ৰতিষ্ঠিত কৰি দিছে,অৰ্থাৎ ইয়াৰ পূৰ্বে কোনো জামাত নাছিল আৰু কিয় এয়া অভিযোগ কৰাৰ কথা হয় বা প্ৰশংসামূলক কথা?

## আহমদীসকলক আন জামাতৰ পৰা পৃথক ৰখাৰ কাৰণ

কিছুমান লোকে কয় যে এনেকুৱা কোনো জামাত বনোৱাৰ প্ৰয়োজন কিয় আছিল,এই কথাই আন মুছলমানসকলৰ মাজত বিস্তাৰ লাভ কৰা উচিত আছিল। তাৰ যুক্তিসঙ্গত উত্তৰ এয়া যে এজন কমাণ্ডৰ সেইলোকসকলক যুদ্ধৰ কাৰণে প্ৰেৰণ কৰিব পাৰে যিয়ে সেনাত ভৰ্তি হৈছে। যিসকল সেনাত ভৰ্তি হোৱা নাই কমাণ্ডৰ সেইসকলক কেনেকৈ প্ৰেৰণ কৰিব? যদি কোনো জামাত বনোৱা নহয় তেন্তে নতুন ছিলছিলা আহমদীয়া কাৰ পৰা কাম ললে হয় আৰু কাকে আদেশ দিলে হয় আৰু সিহঁতৰ খলিফা কাৰ পৰা কাম ললে হয় আৰু কাকে আদেশ দিলে হয়? কিয় সি বজাৰত ঘূৰা-ফুৰা আৰম্ভ কৰি দিলে হয় আৰু সকলোবিলাক মুছলমানক ধৰি কলে হয় আজি অমুক ঠাইত ইছলামৰ বাবে প্ৰয়োজন হৈছে গতিকে তাতে যোৱা আৰু সন্মুখৰ পৰা এই উত্তৰ দিলে হয় যে মই আপোনাৰ কথা মান্য কৰাৰ বাবে প্ৰস্তুত নহওঁ,তাৰ পিছত সি বেলেগজনক ধৰিলে হয় তাৰ পিছত আনজনক ধৰিলে হয়। এয়া এক যুক্তিসঙ্গত সঁচা যে যেতিয়া কোনো সক্ৰিয় কাম

কৰিবলগীয়া হয় তেতিয়া এটা জামাতৰ প্ৰয়োজন হয়,এনেকুৱা জামাত বিনা কোনো সক্ৰিয় কাম হ'ব নোৱাৰে। যদি কোৱা যে জামাত তো বনোৱা হৈছে কিন্তু সকলোৰে সৈতে মিলি-জুলি থাকে তেতিয়া তাৰ উত্তৰ এয়া হয় যে প্ৰাণ পৰীক্ষাৰ মাজত পেলোৱা কামৰ বাবে প্ৰত্যেক ব্যক্তি ক'ত তৈয়াৰ হয়। এনেকুৱা কাম সেই উন্মাদে কৰিব পাৰে আৰু উন্মাদজনক সাৱধানতাৰ পৰা পৃথক ৰখা জৰুৰী হৈ পৰে। যদি সাৱধানপূৰ্ণ উন্মাদজনকো নিজৰ নিচিনা তৈয়াৰ কৰি লয় তেতিয়া এনেকুৱা কাম কোনে কৰিব, যি আনৰ পৰা পৃথক থাকি নিজে নিজেই দেহত আশ্চৰ্যজনক সৃষ্টি কৰে আৰু নিজে নিজেই তাৰ খোজ আৰু সন্ধান কৰা আৰম্ভ কৰি দিয়ে,অৱশেষত তেওঁ সেই বস্তুৰ চিকাৰত আবদ্ধ হয় যাক নিঃশেষ কৰাৰ বাবে সন্মুখলৈ আগবাঢ়ে। অৰ্থাৎ এই সকলোবোৰ অভিযোগ উত্থাপন হয় চিন্তা-ভাৱনাৰ দুৰ্বলতাৰ কাৰণে। যদি যুক্তিৰ সৈতে কাম লোৱা হয় তেতিয়াহে বুজিব পাৰিব যে প্ৰকৃততে সেই পদ্ধতি সঠিক হয় যি আহমদীয়ে অৱলম্বন কৰিছে। এই সঠিক পদ্ধতিৰ ওপৰত কাৰ্যকৰী হৈ সিহঁত ইছলামৰ বাবে বিসৰ্জন দিবলগীয়া এটা জামাত সৃষ্টি কৰিব পাৰে আৰু যেতিয়ালৈকে সিহঁত এই পদ্ধতি অনুযায়ী কৰ্ম কৰি থাকিব দৈনন্দিন এনেকুৱা সদস্যৰ সংখ্যা বৃদ্ধি কৰিব পাৰিব,অৰ্থাৎ কাফিৰসকলেও অনুতাপ কৰিব যে এতিয়া ইছলাম শক্তিশালী হৈ গৈছে আৰু সিহঁত ইছলামৰ ওপৰত নিজৰ সকলোবোৰ শক্তিৰ সৈতে আক্ৰমণ কৰিব,কিন্তু আক্ৰমণৰ সময় অতিবাহিত হৈ গৈছে,ময়দান ইছলামৰ হাতত থাকিব আৰু কাফিৰ (অস্বীকাৰকাৰী)পৰাস্ত হৈ যাব।

আমি ৰাজনৈতিক চেষ্টা-প্ৰচেষ্টাকাৰীৰ পথত বাধা হৈ থিয় নহওঁ। আমি সিহঁতক কওঁ যে,যেতিয়ালৈকে আমাৰ কথাবোৰ তোমালোকে বুজি নোপোৱা তোমালোকে নিজৰ কাম কৰি যোৱা। কিন্তু আমি সিহঁতৰ পৰা এয়াও ইচ্ছা কৰো যে সিহঁতে আমাৰ পথত বাধা প্ৰদান নকৰে যেন। যদি

কাৰোবাৰ বুজনীত সিহঁতৰ তৰিকা (পদ্ধতি) ভাল বুলি জানে তেতিয়া সিহঁতৰ সৈতে মিলিত হওঁক আৰু যদি কাৰোবাৰ বুজনীত আমাৰ পদ্ধতি ভাল বুলি বিবেচিত হয় সিহঁত আমাৰ সৈতে যোগ দিয়ক। সিহঁতৰ পদ্ধতিত কোৰবাণী কম আৰু খ্যাতি বেছি আৰু আমাৰ তৰিকাত কোৰবাণী বেছি আৰু খ্যাতি কম। সিহঁতে সিহঁতৰ অংশ পাই থাকিব আৰু আমি আমাৰ অংশ পাই থাকিম। যিসকলৰ দৃষ্টিত মগজত আৰু সঠিক পদ্ধতিত ইছলামৰ প্ৰতিষ্ঠা বেছি প্ৰয়োজনবোধ হয় সিহঁত আমাৰ সৈতে মিলিত হওঁক আৰু যিসকল বাহ্যিক বাদশ্বাহৰ উন্মাদত থাকিব সিহঁত তেওঁৰ সৈতে মিলিত হওঁক। কিন্তু আমি বিবাদ কিয় কৰিম আৰু কাজিয়া কিয় কৰিম ? অৰ্থাৎ উভয় শোকাতুৰ হৈ কষ্ট পাই আছে,পৃথক পৃথক অংগত বিষ উঠি আছে,সিহঁতৰ মস্তিষ্কত বিষ হৈ আছে,আমাৰ হৃদয় কষ্ট পাই আছে।

এয়া মই যুক্তিসঙ্গত দৃষ্টিকোণত উত্তৰ দিছো,এতিয়া মই আধ্যাত্মিক দৃষ্টিকোণত উত্তৰ দিম আৰু মোৰ দৃষ্টিত সেয়াই প্ৰকৃত দৃষ্টিকোণ হয়।

এই প্ৰশ্নৰ আধ্যাত্মিক উত্তৰ এয়া যে, আল্লাহ্ তা'লাৰ পুৰণি ছুন্নত এয়া যে যেতিয়া পৃথিৱীত বেয়া বিস্তাৰিত হয়,তেতিয়া আধ্যাত্মিকতা সমাপ্ত হৈ যায়। মানুহ পাৰ্থিৱতাক ধৰ্মৰ ওপৰত প্ৰাধান্য দিব ধৰে,তেতিয়া আল্লাহ তা'লা নিজৰ ভৃত্যক হিদায়ৎ আৰু পথ-প্ৰদৰ্শনৰ বাবে আকাশৰ পৰা কোনো প্ৰত্যাদিষ্ট প্ৰেৰণ কৰে যাতে তেওঁৰ হেৰোৱাই যোৱা ভৃত্যক আকৌ তেওঁৰ ফালে উভতাই আনিব পাৰে আৰু তেওঁৰ ধৰ্মক আকৌ পৃথিৱীত প্ৰতিষ্ঠিত কৰিব পাৰে। কেতিয়াবা এই প্ৰত্যাদিষ্টই চৰিয়ত লগত লৈ আহে আৰু কেতিয়াবা কোনো পূৰ্বৰ চৰিয়ত প্ৰতিষ্ঠিত কৰাৰ বাবে আহে। কোৰ-আন কৰীমত আল্লাহ তা'লাই বিশেষ ভাৱে এই ছুন্নতৰ ওপৰত জোৰ দিছে আৰু বাৰম্বাৰ জনগণক আল্লাহ তা'লাৰ এই কৃপা আৰু দয়া চিনাক্ত কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰোৱা হৈছে।

ইয়াত কোনো সন্দেহ নাই যে খোদা তা'লা বহু মৰ্যাদাশীল আৰু মানুহ তেওঁৰ মোকাবিলাত এক কীট-পতঙ্গতকৈয়ো নিকৃষ্ট হয় কিন্তু ইয়াত কোনো সন্দেহ নাই যে আল্লাহ তা'লাৰ সকলোবোৰ কাম জ্ঞানেৰে পৰিপূৰ্ণ আৰু তেওঁ কোনো কাম বিনা কাৰণত আৰু লাভালাভ অবিহনে নকৰে। আল্লাহ তা'লা কোৰ-আন কৰীমত কয়,

وَمَا خَلَقْنَا السَّمٰوٰتِ وَالْاَرْضَ وَمَا بَيْنَهُمَا لٰعِبِيْنَ۝٣٩

(44:39)

অৰ্থাৎ আমি এই আকাশমণ্ডলী আৰু পৃথিৱী এনেই সৃষ্টি কৰা নাই অৰ্থাৎ এইবিলাকৰ সৃষ্টিৰ উদ্দেশ্য ৰাখিছে আৰু সেই উদ্দেশ্য এয়া যে, মানুহ খোদা তা'লাৰ গুণক প্ৰকাশ কৰে আৰু তাৰ প্ৰকাশক হৈ পৃথিৱীৰ সেই লোকসকলক যিসকল উৰ্দ্ধৰ উড়ানৰ শক্তি নাৰাখে খোদা তা'লাৰ পৰা জ্ঞান দান কৰা হয়। আদি সৃষ্টিৰ পৰা লৈ এতিয়ালৈকে খোদা তা'লাৰ এই ছুন্নত অব্যাহত আছে আৰু বিভিন্ন সময়ত খোদা তা'লাই নিজৰ বিভিন্ন প্ৰকাশক এই পৃথিৱীত প্ৰেৰণ কৰিছে। কেতিয়াবা খোদাৰ গুণাৱলী আদম (আঃ)ৰ জৰিয়তে দীপ্তিমান হয়। কেতিয়াবা নুহ (আঃ)ৰ জৰিয়তে দীপ্তিমান হয়। কেতিয়াবা ইব্ৰাহিম (আঃ)ৰ শৰীৰত সেয়া প্ৰকাশিত হয়, কেতিয়াবা মুছা (আঃ)ৰ শৰীৰৰ পৰা দীপ্তিমান হয়,কেতিয়াবা দাউদ (আঃ)ৰ চেহেৰা পৃথিৱীক দেখুৱাইছে,কেতিয়াবা মছীহ (আঃ)য়ে আল্লাহ তা'লাৰ জ্যোতিক নিজৰ অস্তিত্বত প্ৰকাশ কৰিছে। সকলোৰে আগত আৰু সকলোতকৈ পৰিপূৰ্ণৰ ক্ষেত্ৰত আল্লাহ তা'লাৰ সকলোবোৰ গুণাৱলীক সংক্ষেপত আৰু বিস্তাৰিত সদস্যসকলৰ ক্ষেত্ৰৰ পৰা আৰু ঐক্যবদ্ধতাৰ ক্ষেত্ৰত এনেকুৱা মৰ্যাদা আৰু এনেকুৱা গৌৰৱৰ সৈতে পৃথিৱীত প্ৰকাশ কৰিছে যে পূৰ্বৰ নবীসকল সিহঁতৰ সূৰ্যৰ অস্তিত্বৰ সন্মুখত তৰাবোৰৰ নিচিনা অদৃশ্য হৈ পৰিছে। ৰছুলে কৰিম (ছাঃ)ৰ পিছত সকলোবোৰ চৰিয়ত শেষ হৈ গৈছে আৰু সকলোবোৰ

চৰিয়ত অনা নবীসকলৰ আগমনৰ পথ বন্ধ কৰি দিয়া হৈছে। কোনো পক্ষপাতৰ বাবে নহয়,কোনো উপায়ৰ কাৰণে নহয় অৰ্থাৎ এই কাৰণে যে ৰছুলে কৰিম (ছাঃ) এনেকুৰা চৰিয়ত আনিছে যি সকলোবোৰ আৱশ্যকৰ ঐক্য হয় আৰু সকলোবোৰ প্ৰয়োজনীয়তা পূৰ্ণাঙ্গকাৰী আছিল। যি বস্তু খোদা তা'লাৰ তৰফৰ পৰা আহিবলগীয়া আছিল সেয়া পৰিপূৰ্ণতা লাভ কৰিছে, কিন্তু ভৃত্যৰ সম্পৰ্কে কোনো জামিন নাছিল যে সিহঁতে সঠিক বাট নেৰিব আৰু সেই সঠিক শিক্ষাক নেপাহৰিব,অৰ্থাৎ কোৰ-আন কৰীমত আল্লাহ তা'লা স্পষ্ট ভাৱে কৈছে যে,

يُدَبِّرُ الْاَمْرَ مِنَ السَّمَآءِ اِلَى الْاَرْضِ ثُمَّ يَعْرُجُ اِلَيْهِ فِيْ يَوْمٍ كَانَ مِقْدَارُهٗٓ اَلْفَ سَنَةٍ مِّمَّا تَعُدُّوْنَ ۝ (32:6)

অৰ্থাৎ আল্লাহ তা'লাই নিজৰ এই শেষ কালাম আৰু নিজৰ শেষ চৰিয়তক আকাশৰ পৰা পৃথিৱীত প্ৰতিষ্ঠিত কৰি দিব আৰু মানুহৰ বিৰোধীতা তাৰ পথত বাধা সৃষ্টি কৰিব নোৱাৰিব। কিন্তু আকৌ এক দীৰ্ঘ সময় পিছত এই কালাম আকাশলৈ যোৱা আৰম্ভ কৰিব আৰু এহেজাৰ বছৰত এয়া পৃথিৱীৰ পৰা নাইকিয়া হৈ যাব। ৰছুলে কৰিম (ছাঃ) এই ধৰ্মৰ প্ৰতিষ্ঠাৰ যুগক তিনি শ বছৰৰ কাল নিৰ্দিষ্ট কৰি দিছে,যেনেকুৱা ওপৰত হাদীছত বৰ্ণিত হৈ গৈছে আৰু কোৰ-আন কৰীমক الٓمٓرٰ ৰ জৰিয়তে ২৭১ (দুই শ একত্তৰ) বছৰ কাল বুলি এই যুগক নিৰ্ধাৰণ কৰিছে। যদি ইয়াৰ সৈতে আকাশলৈ উঠি যোৱা কালক মিলাই দিয়া হয় তেন্তে এয়া ১২৭১ হয়। অৰ্থাৎ পৃথিৱীৰ পৰা ইছলামৰ আত্মা নাইকিয়া হৈ যোৱাৰ যুগ কোৰ-আন কৰীম অনুযায়ী ১২৭১ বছৰ হয় বা ১৩ শতাব্দীৰ শেষাংশ। যেনেকুৱা কোৰ-আন কৰীমৰ পৰা জানিব পৰা যায়। এনেকুৱা যুগত খোদা তা'লাৰ তৰফৰ পৰা নিশ্চয় এজন পথ-প্ৰদৰ্শক আহি থাকে যাতে দুনিয়া সৰ্বদা চয়তানৰ কৱলত গুচি নাযায় আৰু খোদা তা'লাৰ হুকুমত আদিৰ পৰা, পৃথিৱীৰ পৰা সমাপ্ত

নহয়। অৰ্থাৎ জৰুৰী আছিল যে এই যুগত খোদা তা'লাৰ তৰফৰ পৰা কোনো ব্যক্তি আহিল হয়,সি কোনোবা হ'ল হয় কিন্তু অহা নিশ্চিত আছিল। এয়া কেনেকৈ হ'ব পাৰে যে আদম (আঃ)ৰ অনুকৰণত যেতিয়াই কোনো বেয়া সৃষ্টি হৈছে তেতিয়া খোদা তা'লা তেওঁৰ খবৰ লৈছে। নুহ (আঃ)ৰ অনুসৰণত যেতিয়াই কোনো দুৰ্বলতা সৃষ্টি হৈছে তেতিয়া খোদা তা'লা তেওঁৰ খবৰ লৈছে। ইব্ৰাহিম (আঃ)ৰ অনুসৰণত যেতিয়াই কোনো বেয়া সৃষ্টি হৈছে তেতিয়া খোদা তা'লা তেওঁৰ খবৰ লৈছে। মুছা (আঃ)ৰ অনুসৰণত যেতিয়াই কোনো বেয়া সৃষ্টি হৈছে তেতিয়া খোদা তা'লা তেওঁৰ খবৰ লৈছে। ঈছা (আঃ)ৰ অনুসৰণত যেতিয়াই কোনো বেয়া সৃষ্টি হৈছে তেতিয়া খোদা তা'লা সিহঁতৰ খবৰ লৈছে। কিন্তু যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ উম্মতত কোনো বেয়া সৃষ্টি হৈ যায় তেতিয়া খোদা তা'লা তাৰ খবৰ নল'ব নে? ৰছুলে কৰীম (ছাঃ)ৰ উম্মত সম্পৰ্কে এই ভৱিষ্যদ্বাণী আছিল যে সৰু সৰু ফাছাদ দূৰ কৰাৰ বাবে তেখেত (ছাঃ)ৰ উম্মতত প্ৰত্যেক শতাব্দীৰ শিৰোভাগত এজন সংস্কাৰক প্ৰেৰণ হৈ থাকিব। কোনো যুক্তিয়ে ইয়াক গ্ৰহণ কৰিব পাৰে নে যে সৰু সৰু ফাছাদক দূৰ কৰাৰ বাবে খোদা তা'লাৰ তৰফৰ পৰা সংস্কাৰক প্ৰকাশিত হৈ থাকিছে। যেনেকুৱা ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে,

اِنَّ اللّٰهَ يَبْعَثُ لِهٰذِهِ الْاُمَّةِ عَلٰى رَأْسِ كُلِّ مِائَةِ سَنَةٍ مَّنْ يُّجَدِّدُ لَهَا دِيْنَهَا

(আবু দাউদ জিলদ ২ পৃঃ ২৪১ কিতাবুল ফতন...)

কিন্তু এই মহান ফিতনাৰ সময়ত যাৰ সম্বন্ধে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে যেতিয়াৰ পৰা পৃথিৱীত নবীসকল আহিব ধৰিছে তেখেতসকলে এই ফিৎনাৰ সংবাদ দি থাকিছে। কোনো প্ৰত্যাদিষ্ট অহা নাই,কোনো হিদায়তকাৰী অহা নাই,কোনো পথ-প্ৰদৰ্শনকাৰী অহা নাই যিসকলে মুছলমানসকলক ধৰ্মৰ সৈতে একজোট কৰাৰ বাবে খোদা তা'লাৰ তৰফৰ

পৰা কোনো ধ্বনি উদ্ধৃত কৰা নাই;আৰু মুছলমানসকলক অন্ধকাৰৰ গহ্বৰৰ পৰা ওলোৱাৰ বাবে আকাশৰ পৰা কোনো ৰচী অৱতীৰ্ণ কৰা নাই; সেই খোদা যি আদিৰ পৰা নিজৰ কৃপা আৰু দয়াৰ নমুনা দেখুৱাই আহিছে,মহম্মদ (ছাঃ)ৰ প্ৰেৰণৰ পিছত সেইজনাৰ কৃপা আৰু দয়াৰ নদীত উৎসা বৃদ্ধি পাইছে,নে তাৰ কৃপা আৰু  আৰু দয়া নিঃশেষ হৈছে ? যদি খোদা তা'লা কেতিয়াবা কেতিয়াবা দয়ালু আছিল তেতিয়া উম্মতে মহম্মদীয়াৰ বাবে ইয়াৰ পূৰ্বতকৈ আৰু বেছি দয়ালু হোৱা উচিত। আৰু যদি খোদা তা'লা কেতিয়াবা দয়ালু আছিল তেতিয়াহলে উম্মতে মহম্মদীয়াৰ বাবে সেয়া পূৰ্বতকৈ আৰু বেছি দয়ালু হোৱা উচিত,আৰু নিশ্চিত ভাৱে তেওঁ এনেকুৱাই হয়। কোৰ-আন কৰীম আৰু হাদীছবোৰ ইয়াৰ সাক্ষী হয় যে উম্মতে মহম্মদীয়াত যেতিয়াই কোনো বেয়া সৃষ্টি হ'ব খোদা তা'লা নিজৰ তৰফৰ পৰা কোনো হিদায়তকাৰী আৰু পথ-প্ৰদৰ্শক প্ৰেৰণ কৰি থাকিব। বিশেষ কৰি এই শেষ যুগত যেতিয়া দাজ্জালৰ ফিৎনা প্ৰকাশ পাব খ্ৰীষ্টানসকলৰ প্ৰবলতা শক্তিশালী হৈ যাব। ইছলাম বাহ্যিক ৰূপত পৰাস্ত হৈ যাব আৰু মুছলমানসকল ধৰ্ম ত্যাগ কৰি বহিব আৰু আন জাতিসমূহৰ প্ৰথাবোৰক অৱলম্বন কৰিব তেতিয়া ৰছুলে কৰিম (ছাঃ)ৰ এজন পৰিপূৰ্ণ মজহৰ (ৰূপ) প্ৰকাশ পাব আৰু সেই যুগৰ সংশোধন কৰিব যাৰ সম্পৰ্কে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে,

لَا يَبْقَى مِنَ الْإِسْلَامِ إِلَّا اِسْمُهُ وَ لَا يَبْقَى مِنَ الْقُرْآنِ إِلَّا رَسْمُهُ

অৰ্থাৎ ইছলামৰ কেৱল নাম বাকী থাকিব আৰু কোৰ-আন কৰীম মাথোঁ লিখিত আকাৰে থাকি যাব,ইছলামৰ মগজ কতো দেখিবলৈ পোৱা নাযাব আৰু কোৰ-আনৰ অৰ্থ কাৰো ওপৰত প্ৰস্ফূটিত নহ'ব।(বায়হাকী মিশ্বকাত জিলদ ১ পৃঃ ৩৮)

অৰ্থাৎ হে প্ৰিয়সকল ! আহমদী ছিলছিলাৰ প্ৰতিষ্ঠা এই ছুন্নতৰ অধীনত প্ৰতিষ্ঠিত হৈছে আৰু এই ভৱিষ্যদ্বাণী অনুযায়ী হৈছে যি ৰছুলে কৰীম (ছাঃ)

আৰু তেখেত (ছাঃ)ৰ পূৰ্বৰ নবীসকলে এই যুগ সম্পৰ্কে বয়ান কৰিছে। যদি মির্জা চাহাবৰ প্রেৰণ এই কামৰ বাবে প্রয়োজনীয়তা নাছিল তেন্তে এয়া খোদা তা'লাৰ ওপৰত আপত্তি কৰা হয়। মির্জা চাহাবৰ ইয়াত কি ভুল আছিল। আৰু যদি খোদা তা'লা আলিমুল গায়ব (অদৃশ্যৰ জ্ঞানী) হয় আৰু কোনো ৰহস্য তাৰ পৰা গুপ্ত নহয় আৰু তেওঁৰ সকলোবোৰ কাম জ্ঞানেৰে ভৰপূৰ হয়,সেই কাৰণে বুজি লোৱা উচিত যে মির্জা গোলাম আহমদ চাহাবৰ প্রেৰণ হোৱাই সঠিক আছিল; আৰু তেখেতৰ মান্যকাৰী মুছলমানসকল আন দুনিয়াতকৈ উত্তম। আপুনি কোনো নতুন সংবাদ পৃথিৱীৰ কাৰণে লৈ অহা নাই,সেই পয়গাম যি মহম্মদ (ছাঃ)য়ে পৃথিৱীবাসীক শুনাইছিল কিন্তু পৃথিৱীবাসীয়ে সেয়া পাহৰি গৈছিল। সেই পয়গাম যি কোৰ-আন কৰীম উত্থাপন কৰিছিল,কিন্তু পৃথিৱী তাৰ পৰা পৰামুখ হৈছিল,আৰু সেয়া এই পয়গাম হয় যে গোটেই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকর্তা এক খোদা হয়। সেইজনা মানুহৰ সৈতে নিজৰ ভালপোৱা আৰু সম্পৰ্ক সৃষ্টি কৰিছে। নিজৰ গুণাৱলীক তেখেতৰ জৰিয়তে প্রকাশ কৰাৰ কাৰণে তেখেতক সৃষ্টি কৰা হৈছে। যেনেকুৱা খোদা তা'লাই কয়,

وَ اِذْ قَالَ رَبُّكَ لِلْمَلٰٓئِكَةِ اِنِّیْ جَاعِلٌ فِی الْاَرْضِ خَلِیْفَةً ؕ

(2:31)

অর্থাৎ আদম (আঃ) আৰু তেখেতৰ বংশধৰ খোদা তা'লাৰ খলিফা অর্থাৎ খোদাৰ প্রতিনিধি হয়। তেখেতক খোদা তা'লাৰ গুণাৱলীক পৃথিৱীত প্রকাশ কৰাৰ বাবে সৃজন কৰা হৈছে। গতিকে সকলো মানৱৰ এয়া ফৰজ হয় যে সিহঁত নিজৰ জীৱনক খোদা তা'লাৰ গুণাৱলী অনুযায়ী বনাওঁক আৰু যিদৰে এজন প্রতিনিধি নিজৰ সকলোবোৰ কামত নিজৰ নির্ভৰশীলতাৰ প্রতি বাৰম্বাৰ দৃষ্টি গোচৰ কৰে আৰু এজন গোলাম প্রত্যেক খোজ উঠোৱাৰ পূর্বে নিজৰ মালিকৰ ফালে দৃষ্টি নিক্ষেপ কৰে এইদৰে মানুহৰ বাবে

বাধ্যতামূলক হয় যে, সিহঁতে খোদা তা'লাৰ সৈতে এনেকুৱা সম্পৰ্ক সৃষ্টি কৰক যে খোদা তা'লা তেওঁৰ বাবে সৰ্বদা আৰু সকলোবোৰ কামত পথ-প্ৰদৰ্শন হৈ যায় আৰু সকলোবোৰ বস্তুতকৈ বেছি তেওঁ খোদা প্ৰেমী হয় আৰু সকলোবোৰ কথাত খোদাৰ ওপৰত নিৰ্ভৰশীল হয় আৰু এই ফৰজক পূৰ্ণ কৰাৰ বাবে হজৰত মছীহ মাওউদ (আঃ)পৃথিৱীত প্ৰেৰণ হৈছে। তেখেতৰ এই কাম আছিল যে তেখেতে দুনিয়াদাৰী লোকসকলক ধাৰ্মিক বনাব,ইছলামৰ শাসন হৃদয়ত প্ৰতিষ্ঠিত কৰাব আৰু মহম্মদ (ছাঃ)ক আকৌ নিজৰ আধ্যাত্মিক আসনত বহাব যি আসনৰ পৰা নমোৱাৰ বাবে চয়তান আভ্যন্তৰীণ আৰু বাহ্যিক শক্তিৰে আক্ৰমণ চলাই আছে।

এই উদ্দেশ্যক পূৰ্ণ কৰাৰ বাবে হজৰত মছীহ মাওউদ (আঃ)য়ে পোনপ্ৰথমে এই কাম কৰিছে যে মুছলমানসকলক বাকলিৰ পৰিৱৰ্তে মগজৰ ফালে আকৰ্ষণ কৰিছে আৰু এই কথাৰ ওপৰত জোৰ দিছে যে আদেশ-নিৰ্দেশ প্ৰকাশ হোৱাও অতি গুৰুত্বপূৰ্ণ আৰু জৰুৰী হয়,কিন্তু আভ্যন্তৰীণৰ ফালে দৃষ্টি গোচৰ অবিহনে মানুহ কোনো উন্নতি কৰিব নোৱাৰে। অৰ্থাৎ তেখেত এটা জামাত প্ৰতিষ্ঠিত কৰিছে আৰু বয়াতৰ অঙ্গীকাৰত এই চৰ্ত নিৰ্ধাৰণ কৰা হৈছে যে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিম। প্ৰকৃতপক্ষে এয়া ৰোগ আছিল যিয়ে মুছলমানসকলক ঘুণৰ নিচিনা খাই আছিল,এয়া সত্ত্বেও দুনিয়া তাৰ হাতৰ পৰা মুক্তি পাইছিল আকৌ দুনিয়াৰ ফালেই সিহঁতৰ অগ্ৰসৰ হৈছিল। ইছলামৰ উন্নতিৰ অৰ্থ সিহঁতৰ দৃষ্টিত বাদশ্বাহৰ স্থান পোৱা আৰু ইছলামৰ সফলতাৰ অৰ্থ সিহঁতৰ দৃষ্টিত মুছলমান কথিত সকলৰ শিক্ষা আৰু সিহঁতৰ ব্যাপাৰ-বাণিজ্যৰ উন্নতি আছিল। অৰ্থাৎ ৰছুলে কৰীম (ছাঃ)য়ে পৃথিৱীত এই কাৰণে অহা নাছিল যে লোক মুছলমান ক'বলৈ ধৰে,লোকসকলক সঠিক মুছলমান বনোৱাৰ বাবে আহিছিল,যাৰ প্ৰশংসা কোৰ-আন কৰীমত এয়া কৈছে,

(2:113) مَنۡ اَسۡلَمَ وَجۡهَهٗ لِلّٰہِ

সিহঁত নিজৰ গোটেই অস্তিত্ব খোদা তা'লাৰ বাবে বিসৰ্জন দিয়ে,আৰু ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়ে,যদিওবা এয়া এক সাধাৰণ কথা যেন লাগে কিন্তু সঁচাকৈয়ে ইছলাম আৰু আন ধৰ্মৰ মাজত এয়াই পাৰ্থক্য হয়। ইছলাম এয়া নকয় যে তুমি জ্ঞান অৰ্জন নকৰিবা,নে এয়া কয় যে ব্যৱসায় নকৰিবা,নে এয়া কয় যে কোনো ব্যাপাৰ-বাণিজ্য নকৰিবা,নে এয়া কয় যে তুমি নিজৰ শাসন শক্তিশালী কৰাৰ চেষ্টা নকৰিবা,ইছলাম মাথোঁ মানুহৰ দৃষ্টিকোণক পৰিৱৰ্তন কৰে। পৃথিৱীত সকলোবিলাক কামৰ দুটা দৃষ্টিকোণ থাকে। এটা বাকলিৰ পৰা মগজ অৰ্জন কৰাৰ দৃষ্টিকোণ হয়। আনটো মগজৰ পৰা বাকলি অৰ্জন কৰাৰ দৃষ্টিকোণ হয়,যিসকল বাকলিৰ পৰা মগজ অৰ্জন কৰাৰ আশা ৰাখে তেতিয়া জৰুৰী নহয় যে সি নিজৰ উদ্দেশ্যত কৃতকাৰ্যতা লাভ কৰিব,অৰ্থাৎ বেছিৰ ভাগ সময় তেওঁ অসফল হয়। কিন্তু যি ব্যক্তি মগজ অৰ্জন কৰে তাৰ সৈতে বাকলিও পাই থাকে। ৰছুলে কৰীম (ছাঃ)আৰু তেখেতৰ অনুসাৰীসকলৰ সকলোবোৰ চেষ্টা-প্ৰচেষ্টা ধৰ্মৰ বাবে আছিল,কিন্তু এয়া নহয় যে সেয়া পাৰ্থিৱ নিয়ামত (অনুগ্ৰহ)ৰ পৰা বঞ্চিত আছিল। এয়া এক দৈহিক কাৰ্য হয় যিসকলে ধৰ্ম পাই যায় দুনিয়া কৃতদাসীৰ নিচিনা সিহঁতৰ পিছফালে দৌৰি আহিব। কিন্তু পাৰ্থিৱতাৰ সৈতে ধৰ্ম প্ৰাপ্ত হোৱা জৰুৰী নহয়,কেতিয়াবা সেয়া পোৱা নাযায়। কেতিয়াবা ধৰ্মও হাতৰ পৰা ওলাই যায়।

অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে নবীসকলৰ পদ্ধতি অৱলম্বন কৰি খোদা তা'লাৰ আদেশত ধৰ্মৰ ওপৰত জোৰ দিয়া আৰম্ভ কৰিছে। যিসময়ত আপুনি প্ৰকাশ হৈছে সেই সময়ত মুছলমানসকলৰ মাজত দুই প্ৰকাৰৰ আন্দোলন অব্যাহত আছিল। এটা আন্দোলন এয়া আছিল যে মুছলমান দুৰ্বল হৈ পৰিছে এই কাৰণে সিহঁতক পাৰ্থিৱ শক্তি অৰ্জন কৰাৰ

চেষ্টা কৰা উচিত। দ্বিতীয় আন্দোলন তেখেতে চলাইছে যে আমি ধৰ্মৰ ফালে অগ্ৰসৰ হোৱা উচিত ইয়াৰ নিশ্চিত ফলাফল এয়া ওলাব যে পাৰ্থিৱতা আল্লাহ তা'লা আমাক নিজে নিজেই দি দিব।

কিছুমান লোকসকলে ভুলৰ কাৰণে এয়া বুজিছে যে তেখেতৰ আন্দোলন এনেকুৱা যেনেকুৱা আজি কালিৰ চুফী ইত্যাদি সকলৰ আন্দোলন হয় যে সিহঁত বাহ্যিক ভাৱে নমাজৰ ওপৰত জোৰ দিয়ে আৰু ভাল মানুহক নিৰ্যাতনত বহাই পৰ্দাৰ আঁৰত মহিলাসকলৰ নিচিনা বনাই দিয়ে। যদি আপুনি এনেকুৱা কৰে তেন্তে নিশ্চিত যে আপুনিও মজগৰ নামত এটা বাকলি অৰ্জন কৰাৰ আন্দোলন কৰিল হয়,কিন্তু তেখেতে এনেকুৱা কৰা নাই। তেখেতে য'ত ধৰ্মীয় আদেশৰ ওপৰত জোৰ দিছে তাতে এই কথাৰ ফালেও জোৰ দিছে যে ধৰ্ম আল্লাহ তা'লাৰ ফালৰ পৰা এই কাৰণে আহি থাকে যে সেয়াই মানুহৰ মস্তিষ্কক বৃদ্ধি কৰে আৰু তেওঁৰ মগজক জ্যোতিৰ্ময় কৰি দিয়ে আৰু তেওঁৰ আকল (যুক্তিক) দ্ৰুত কৰিব। তেখেতে কৈছে যি ব্যক্তি সত্যিকাৰ অৰ্থে ধৰ্মৰ ওপৰত কৰ্ম কৰে আৰু দেখুৱাৰ বাবে কাম নকৰে,ধৰ্ম তেওঁৰ ভিতৰত উন্নত ধৰণৰ আচৰণ সৃষ্টি কৰে,ধৰ্ম তেওঁৰ ভিতৰত কৰ্মশক্তি সৃষ্টি কৰে,ধৰ্ম তেওঁৰ ভিতৰত কোৰবাণী কৰাৰ পদাৰ্থ সৃষ্টি কৰে। তেখেতে কৈছে যে তুমি ধৰ্ম অৱলম্বন কৰা,তুমি নমাজ পঢ়া,তুমি ৰোজা ৰখা,হজ্ব কৰা,জাকাত দিয়া,কিন্তু সেই নমাজ পঢ়া যি কোৰ-আনে কৈছে আৰু সেই ৰোজা ৰখা যি কোৰ-আনে কৈছে,আৰু হজ্ব কৰা যি কোৰ-আনে কৈছে,আৰু জাকাত দিয়া যি কোৰ-আনে কৈছে,কোৰ-আন কৰীম তোমালোকৰ উঠা-বহাক নিবিচাৰে,নে তোমালোক ভুকাতুৰ থকা বিচাৰে,নে নিজৰ ৰাষ্ট্ৰ অলাভদায়ক এৰি দিয়াক বিচাৰে,নে নিজৰ ধন-সম্পত্তিৰ বিনষ্ট হোৱাক বিচাৰে,কোৰ-আন কৰীম নমাজ সম্পৰ্কে এয়া কয় যে,

اِنَّ الصَّلٰوۃَ تَنۡہٰی عَنِ الۡفَحۡشَآءِ وَالۡمُنۡکَرِ ؕ وَلَذِکۡرُ اللّٰہِ
اَکۡبَرُ ؕ وَاللّٰہُ یَعۡلَمُ مَا تَصۡنَعُوۡنَ ﴿۴۶﴾ (29:46)

নিশ্চয় নমাজ অশ্লিলতা আৰু অসৎ আচৰণৰ পৰা বিৰত ৰাখে। যদি সেই ফলাফল নোলায় যি কোৰ-আন কৰীমে বৰ্ণনা কৰিছে,তেতিয়া তোমাৰ নমাজ নমাজ নহয়, আৰু ৰোজা সম্পৰ্কে কোৰা-আন কৰীম কয় যে, لَعَلَّكُمۡ تَتَّقُوۡنَ ﴿۱۸۴﴾(2:184) ৰোজা এই কাৰণে নিৰ্ধাৰিত কৰা হৈছে যাতে তোমালোকে আভ্যন্তৰীণ তাকৱা আৰু উন্নত ধৰণৰ আচৰণ সৃষ্টি কৰিব পাৰা। অৰ্থাৎ যদি তুমি ৰোজা ৰখা আৰু এই ফলাফল সৃষ্টি নহয় তেতিয়া তোমাৰ নিয়ত শুদ্ধ নহয়,আৰু তুমি ৰোজা ৰখা নাই অৰ্থাৎ তুমি নিজকে ভুকত ৰাখিছা খোদা তা'লা ভুকত থকাক বিচৰা নাই। আৰু হজ্বৰ বাবে কৈছে যে হিংসা ভাৱৰ কল্পনাক বাধা প্ৰদান আৰু পৰস্পৰ পৰস্পৰৰ মাজত হোৱা বিবাদক দূৰ কৰাৰ মাধ্যম হয়। অৰ্থাৎ হজ্ব বেয়া, অসৎ আচৰণ আৰু বিবাদক বাধা প্ৰদান কৰাৰ বাবে হয় এই কাৰণে আল্লাহ তা'লা কৈছে,

خُذۡ مِنۡ اَمۡوَالِہِمۡ صَدَقَۃً تُطَہِّرُہُمۡ وَتُزَکِّیۡہِمۡ بِہَا (9:103)

জাকাত পৱিত্ৰ ব্যক্তি আৰু জাতি আৰু পৱিত্ৰ হৃদয় আৰু চিন্তা-ভাৱনা কৰা সকলৰ বাবে নিৰ্ধাৰিত কৰা হৈছে,অৰ্থাৎ যেতিয়ালৈকে এই ফলাফল নোলায় তোমাৰ হজ্ব আৰু তোমাৰ জাকাত কেৱল মাথোঁ দেখুৱা হয়।অৰ্থাৎ তুমি নমাজ পঢ়া,ৰোজা ৰখা,হজ্ব কৰা,জাকাত দিয়া,কিন্তু তোমাৰ নমাজ আৰু ৰোজা আৰু হজ্বক মই তেতিয়া গ্ৰহণ কৰিম যেতিয়া ইয়াৰ ফলাফল ওলাব আৰু তুমি অশ্লিলতা আৰু অসৎৰ পৰা বাচিবা আৰু তোমাৰ মাজত তাকৱা (খোদা ভীতি) সৃষ্টি হ'ব,আৰু বেয়া,অসৎ আচৰণ আৰু কাজিয়া-বিবাদৰ পৰা পৰিপূৰ্ণ ভাৱে আঁতৰত থাকিবা,আৰু তেতিয়াহে পৱিত্ৰ ব্যক্তি আৰু জাতি আৰু পৱিত্ৰ হৃদয় আৰু চিন্তা-ভাৱনা অৰ্জিত হ'ব,যি ব্যক্তিৰ ভিতৰত এই ফলাফল সৃষ্টি নহ'ব মই তেওঁক নিজৰ জামাতত

অন্তৰ্ভুক্ত বুলি নাভাৱিম কাৰণ তেওঁ বাকলিক অৱলম্বন কৰিছে আৰু মগজক অৱলম্বন কৰা নাই যি খোদা তা'লাৰ উদ্দেশ্য আছিল।

এইদৰে বাকী সকলোবোৰ উপাসনা সম্পৰ্কে তেখেতে মগজৰ ওপৰত বেছি জোৰ দিছে আৰু কৈছে যে ইছলামৰ কোনো আদেশ এনেকুৱা নাই যি বিনা জ্ঞানৰ হয়। খোদা তা'লাক বাহ্যিক দৃষ্টিৰে দেখিবলৈ পোৱা নাযায়,খোদা তা'লাক হৃদয়ে দৃষ্টি গোচৰ কৰিব পাৰে,খোদা তা'লাক হাতেৰে স্পৰ্শ কৰিব নোৱাৰে,খোদা তা'লাক ভালপোৱাৰে স্পৰ্শ কৰিব পৰা যায়। অৰ্থাৎ ধৰ্মৰ উদ্দেশ্য এয়া নহয় যে সেয়া কেৱল চকু আৰু হাতৰ ওপৰত শাসন চলাব। যেতিয়াই সেয়া চকু আৰু হাতৰ ওপৰত শাসন কৰে সেয়া হৃদয় আৰু উৎসাক পৰিষ্কাৰ কৰাৰ বাবে শাসনতা কৰে, যাতে সেই শক্তি মানুহৰ ভিতৰত সৃষ্টি হ'ব পাৰে যাৰ দ্বাৰা সি খোদা তা'লাক দেখিব পাৰে আৰু যাৰ দ্বাৰা সি খোদা তা'লাক স্পৰ্শ কৰিব পাৰে আৰু সেই শক্তি সৃষ্টি হয় যাৰ দ্বাৰা খোদা তা'লাৰ শব্দক শ্ৰৱণ কৰিব পাৰে। উদ্দেশ্য, এই কথাসমূহৰ ওপৰত জোৰ দি তেখেতে এটা নতুন বাট ইছলামৰ উন্নতিৰ বাবে মুকলি কৰিছে আৰু ফলাফল এয়া ওলায় যে এটা সৰু জামাত সৃষ্টি হৈছে, কিন্তু এনেকুৱা জামাত সৃষ্টি হৈছে যিয়ে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিছে আৰু ইছলামৰ আধ্যাত্মিক উন্নতি আৰু মহম্মদ (ছাঃ)ৰ আধ্যাত্মিক বাদশ্বাহতক প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰত্যেক ধৰণৰ কোৰবাণী আৰম্ভ কৰি দিছে। আপোনালোকে চিন্তা-ভাৱনা কৰি চাওঁক ক'ত আহমদীসকলৰ এটা সৰু জামাত আৰু ক'ত গোটেই মুছলমানসকলৰ এক মহান মৰ্যাদাপ্ৰাপ্ত দল। কিন্তু ইছলামৰ বিস্তাৰ লাভ কৰাৰ বাবে যি কিছু আহমদীয়া জামাতে কৰি আছে বাকী মুছলমান যি ইয়াতকৈ হাজাৰো পৰিমাণে বেছি হয় তাৰ পৰা আধা বা চতুৰ্থাংশই কৰি আছে ? অৱশেষত এই পৰিৱৰ্তন কিয় আহিলে ? এই কাৰণে যে হজৰত মছীহ মাওউদ (আঃ)য়ে আহমদীৰ ওপৰত জোৰ

দিছিল যে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়ক। এই সততা আহমদীৰ ওপৰত মুকলি হৈ গ'ল আৰু সিহঁতৰ কৰ্মত এক নতুন ৰূপ ধাৰণ কৰি কাৰ্যকৰী হৈ গৈছে। এজন সত্য আহমদীৰ নমাজ সেই নমাজ নহয় যি এজন সাধাৰণ মুছলমানে নমাজ পঢ়ে। ৰূপ তদ্ৰূপ,কলিমা তদ্ৰূপ হয় কিন্তু মগজ বেলেগ। আহমদীয়ে নমাজ নমাজৰ খাতিৰত পঢ়ে আৰু খোদা তা'লাৰ সৈতে সম্পৰ্ক বৃদ্ধিৰ বাবে নমাজ পঢ়ে। সম্ভৱত কোনোবাই যদি কয় যে বাকী লোক খোদা তা'লাৰ সৈতে নিজৰ সম্পৰ্ক বৃদ্ধিৰ বাবে নমাজ নপঢ়ে ? মোৰ উত্তৰ এয়া যে কেতিয়াও নহয়। যদি আপুনি দৃঢ় চিন্তা-ভাৱনা কৰে তেতিয়া আপুনি জানিব পাৰিব এতিয়া মুছলমানসকলৰ মাজত দুৰ্ভাগ্য বশত এই ধাৰণা সৃষ্টি হৈছে যে খোদা তা'লাৰ সৈতে পৰোক্ষভাৱে সম্পৰ্ক স্থাপন হ'বই নোৱাৰে। মুছলমানসকলৰ মাজত সাধাৰণতে এই ভুল জাগৰণ হৈছে যে নে খোদা তা'লা আজি ভৃত্যৰ সৈতে কথা পাতে,নে খোদা তা'লা কোনো কথা মনোৱাব পাৰে,এটা শতাব্দীৰ বেছি সময় অতিবাহিত হৈ গৈছে যে ঐশ্বৰিক ইলহামৰ অৱতীৰ্ণৰ মুছলমানসকল অস্বীকাৰী হৈ গৈছে; যদিওবা ইয়াৰ পূৰ্বে মুছলমানসকলৰ মাজত সেই লোকসকল আছিল যিসকলে ঐশ্বৰিক কালাম অৱতীৰ্ণ হোৱা বুলি স্বীকাৰ কৰিছিল। কেৱল স্বীকাৰ কৰাই নাছিল,সিহঁত এই কথাৰো দাবীকাৰক আছিল যে খোদা তা'লা সিহঁতৰ সৈতে কথা পাতে কিন্তু এক শতাব্দীৰ পৰা মুছলমানসকলৰ মাজত এই আপদ অৱতীৰ্ণ হৈছে যে সিহঁত স্পষ্ট ভাৱে ঐশ্বৰিক কালাম অব্যাহত থকা বুলি অস্বীকাৰী হৈ গৈছে,অৰ্থাৎ কিছুমান আলিমসকলে এই সততাৰ প্ৰকাশকক কাফিৰ বুলি আখ্যা দিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে আহি পৃথিৱীৰ বুকুত এই দাবী উত্থাপন কৰিছে যে মোৰ সৈতে খোদা তা'লা কথা পাতে আৰু কেৱল মোৰ সৈতেই নহয় অৰ্থাৎ যি ব্যক্তি মোৰ অনুকৰণ কৰিব আৰু মোৰ পদক্ষেপ অনুযায়ী কৰ্ম কৰিব আৰু মোৰ শিক্ষাক মান্য কৰিব

আৰু মোৰ হিদায়ৎ গ্ৰহণ কৰিব খোদা তা'লা তেওঁৰ সৈতেও কথা পাতিব। তেখেতে ধাৰাবাহিক ভাৱে খোদা তা'লাৰ কালামক পৃথিৱীৰ সন্মুখত উত্থাপন কৰিছে আৰু নিজৰ মান্যকাৰীক লিখিছে যে তোমালোকেও খোদা তা'লাৰ এই অনুগ্ৰহক প্ৰাপ্ত কৰাৰ বাবে চেষ্টা কৰা। তেখেতে কৈছে, মুছলমান পাঁচ ওৱাক্ত খোদা তা'লাৰ পৰা এই দোৱা খোজে যে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ۶ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ
(1:6-7)

হে খোদা ! তুমি মোক সহজ সৰল বাট দেখুওৱা সেইসকলৰ বাট যিসকলৰ ওপৰত তুমি অনুগ্ৰহ কৰিছিলা,অৰ্থাৎ পূৰ্বৰ নবীসকলক। তেন্তে এয়া কেনেকৈ হ'ব পাৰে যে তাৰ এই দোৱা সৰ্বদা অলাভদায়ক হ'ব আৰু খোদা তা'লা কোনো মুছলমানসকলৰ বাবে সেই পথ মুকলি কৰা নাই যি পূৰ্বত নবীসকলৰ বাবে মুকলি কৰিছিল আৰু কোনো ব্যক্তিৰ সৈতে সেইদৰে ব্যাক্যালাপ কৰা নাই যিদৰে পূৰ্বৰ নবীসকলৰ সৈতে ব্যাক্যালাপ কৰিছিল। এইদৰে তেওঁ নিশ্চিত ভাৱে এই প্ৰতিবন্ধক দূৰ কৰিছে যি মুছলমানসকলৰ হৃদয়ত আছিল। মই কওঁ যে প্ৰত্যেক আহমদীয়ে হজৰত মছীহ মাওউদ (আঃ)ৰ উদ্দেশ্যক ভালদৰে বুজি পাইছে। সিহঁতে নমাজ এইদৰে নপঢ়ে যে এক ফৰজ বুলি ভাৱি। সিহঁতে নমাজ এনেদৰে পঢ়ে যে খোদাৰ পৰা কিছু আনিবলৈ গৈছে। সিহঁতে খোদাৰ পৰা এক পুণ্য সম্পৰ্ক গঢ়ি তোলাৰ ভাৱে গৈছে আৰু এই ইচ্ছুকৰ সৈতে যিয়ে নমাজ পঢ়িব,বুজিব পৰা যায় যে তেওঁৰ নমাজ আৰু আন লোকসকলৰ নমাজ একে হ'ব নোৱাৰে। তেখেত খোদা তা'লাৰ সম্পৰ্ক গঢ়ি তোলাৰ ভাৱে ইমান জোৰ দিছে যে কৈছে,মোৰ দাবীৰ মান্যকাৰীক খোদা তা'লা বহু পৰিমাণে দলিল দিছে,কিন্তু মই তোমাক এয়া নকওঁ যে তুমি যুক্তিসমূহৰ ওপৰত চিন্তা-ভাৱনা কৰা আৰু ভাৱি চিন্তি চোৱা। যদি তোমাৰ সেই দলিলসমূহৰ ওপৰত চিন্তা-ভাৱনা কৰাৰ সুযোগ

নহ'ল হয় বা সেইবোৰ প্ৰয়োজন বুলি নাভাৱিলে হয় বা এয়া ধাৰণা কৰিলে হয় যে সম্ভৱত আমাৰ জ্ঞানে এই কথাসমূহ সম্পৰ্কে সিদ্ধান্ত কৰাত কোনো ভুল কৰি যায়,তেতিয়া মই তোমাক এই ফালে আকৰ্ষণ কৰিম যে তুমি আল্লাহ তা'লাৰ ওচৰত মোৰ সম্পৰ্কে দোৱা কৰা আৰু খোদাৰ পৰা হিদায়ৎ বিচৰা যে যদি এইজন সত্য হয় তেন্তে মোক পথ প্ৰদৰ্শন কৰা আৰু যদি তেওঁ মিছা হয় তেন্তে মোক তেওঁৰ পৰা আঁতৰত ৰখা আৰু কৈছে যে যদি কোনো ব্যক্তি কু-সংস্কাৰ অবিহনে কিছু দিন এইধৰণৰ দোৱা কৰিব তেতিয়া আল্লাহ তা'লা নিশ্চয় তেওঁৰ বাবে হিদায়তৰ বাট মুকলি কৰি দিব আৰু মোৰ সত্যায়ন তেওঁৰ ওপৰত প্ৰস্ফুটিত হৈ পৰিব। শ শ আৰু হাজাৰ মানুহ আছে যিসকলে এইদৰে প্ৰচেষ্টা কৰিছে আৰু খোদা তা'লাৰ পৰা পোহৰ পাইছে।এয়া কিমান ডাঙৰ উজ্জ্বল দলিল হয়। মানুহ নিজৰ জ্ঞানত ভুল কৰিব পাৰে কিন্তু খোদা তা'লা নিজৰ পথ প্ৰদৰ্শনত ভুল কৰিব নোৱাৰে; আৰু কেনেকুৱা বিশ্বাস হয় নিজৰ সততাৰ ওপৰত, সেই ব্যক্তিক যিয়ে নিজৰ সততাক চিনাক্ত কৰাৰ বাবে এই ধৰণৰ সিদ্ধান্তৰ পদ্ধতি পৃথিৱীৰ সন্মুখত উত্থাপন কৰে। কোনো মিছলীয়া এয়া ক'ব পাৰে নে যে যোৱা আৰু খোদা তা'লাৰ পৰা মোৰ সম্বন্ধে সুধা ? কোনো মিছলীয়া ব্যক্তি এইধৰণৰ কল্পনা কৰিব পাৰেনে যে এই ধৰণৰ সিদ্ধান্ত মোৰ পক্ষত হ'ব ? যি ব্যক্তি খোদা তা'লাৰ তৰফৰ পৰা নহয়,কিন্তু এইধৰণৰ সিদ্ধান্তৰ পদ্ধতিক স্বীকাৰ কৰি লয় সি তো নিজৰ বিৰুদ্ধে নিজকে ডিগ্ৰী দি দিয়ে আৰু নিজৰ ভৰিৰ ওপৰত নিজেই কুঠাৰ মাৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে সদায় পৃথিৱীৰ সন্মুখত এই কথা উত্থাপন কৰিছে যে মই মোৰ সৈতে হাজাৰ প্ৰমাণ ৰাখো,কিন্তু মই কওঁ যে যদি তুমি এই প্ৰমাণৰ পৰা সন্তুষ্টি নোহোৱা তেন্তে মোৰ কথা নুশুনিবা আৰু মোৰ বিৰোধীতাও নুশুনিবা,খোদাৰ তা'লাৰ ওচৰত যোৱা আৰু সেইজনাক সুধা যে অহাজন সত্য নে মিছা। যদি খোদা কৈ দিয়ে যে মই মিছলীয়া হওঁ তেন্তে মই নিশ্চয় মিছলীয়া। যদি কৈ দিয়ে যে মই সত্য

তেন্তে মোৰ সততা গ্ৰহণ কৰাত অস্বীকাৰ কিয় ?

হে প্ৰিয়সকল ! এয়া কিমান সহজ সৰল আৰু ধাৰ্মিক সিদ্ধান্তৰ পদ্ধতি আছিল। হাজাৰ জনে ইয়াৰ পৰা লাভ উঠাইছে। সকলোবিলাক সেই লোক যিসকলে এতিয়াও এই সিদ্ধান্তৰ পদ্ধতিক গ্ৰহণ কৰি তাৰ পৰা উপকাৰ হ'ব পাৰিব। এই সিদ্ধান্তৰ পদ্ধতিত সঁচাকৈয়ে এই জ্ঞানৰ কথা কৈছে যে তেখেতে বুজিব পাৰিছিল যে ধৰ্ম পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য হয়। তেখেতে কৈছিল যে খোদা তা'লাই অজান বস্তুক দেখাৰ বাবে চকু দিছে। অজান বস্তু বুজাৰ বাবে যুক্তি প্ৰদান কৰিছে আৰু অজান বস্তুক দেখাৰ বাবে তেওঁ নিজৰ সূৰ্য সৃষ্টি কৰিছে আৰু নক্ষত্ৰ সৃষ্টি কৰিছে,তেন্তে কেনেকৈ হ'ব পাৰে যে আধ্যাত্মিক হিদায়তক দেখুৱাৰ বাবে তেওঁ কোনো বাট নিৰ্ধাৰিত কৰা নাই। নিশ্চয় যেতিয়াই কোনো ব্যক্তি ইয়াৰ পৰা আধ্যাত্মিক বস্তুক দেখাৰ ইচ্ছা কৰে খোদা তা'লা তাৰ বাবে বাট মুকলি কৰি দিয়ে,খোদা তা'লা নিজেই কোৰ-আন কৰীমত কয়,

وَالَّذِيْنَ جَاهَدُوْا فِيْنَا لَنَهْدِيَنَّهُمْ سُبُلَنَا (29:70)

আৰু যিসকলে আমাৰ কাৰণে সাধ্যমতে প্ৰচেষ্টা কৰে,আমি তেওঁলোকক অৱশ্যেই পৰিচালিত কৰিম আমাৰ সুপথসমূহেদি।

সাৰাংশ এয়া যে হজৰত মছীহ্ মাওউদ (আঃ)য়ে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়া পদ্ধতি নিজৰ জামাতৰ বাবে খুলিছে আৰু নিজৰ অস্বীকাৰকাৰীৰ সন্মুখত এই পদ্ধতিক উত্থাপন কৰিছে। আমাৰ খোদা এক জীৱিত খোদা হয়,সেইজনা এতিয়াও বিশ্বব্ৰহ্মাণ্ডৰ কাৰখানা চলাই আছে,পৃথিৱীৰ আৰু ধৰ্মৰো। এজন মোমিনৰ বাবে জৰুৰী যে তেওঁ বেছি বেছি তাৰ সৈতে সম্পৰ্ক স্থাপন কৰে যেন, আৰু সেইজনাৰ নৈকট্যপ্ৰাপ্ত যেন হৈ যায় আৰু সেই ব্যক্তি যাৰ ওপৰত হিদায়ত প্ৰকাশ পোৱা নাই তাৰ বাবে জৰুৰী যে তেওঁ খোদা তা'লাৰ পৰা পোহৰ খোজক আৰু সেইজনাৰ

সহযোগীতাত সঠিক দিশত গৈ পোৱাৰ চেষ্টা কৰিব,অৰ্থাৎ মূল কাম আৰু আচল পয়গাম হজৰত মছীহ মাওউদ (আঃ)ৰ এয়াই আছিল যে তেখেতে পৃথিৱীবাসীৰ সংশোধন কৰা, মানৱ জাতিক আকৌ খোদা তা'লাৰ ফালে লৈ যোৱা আৰু যিসকলে খোদা তা'লাৰ সন্তুষ্টি অৰ্জনৰ পৰা দূৰত সিহঁতৰ হৃদয়ত খোদা তা'লাৰ সৈতে মিলিত হোৱাৰ বিশ্বাস সৃষ্টি কৰোৱা আৰু এই ধৰণৰ জীৱনৰ পৰা লোকসকলক উজ্জ্বলময় কৰি তোলা যি মুছা (আঃ) আৰু ঈছা (আঃ)আৰু আন নবীসকলৰ যুগত লোকসকলৰ ভাগ্যত হৈছিল।

হে প্ৰিয়সকল ! পুৰণি কিতাপসমূহ অধ্যয়ন কৰি চোৱা,তাৰ পিছত নিজৰ পূৰ্বসূৰীসকলৰ ইতিহাস চোৱা,সিহঁতৰ জীৱন বস্তুগত আছিল নে ? সিহঁতৰ কাম কেৱল উপাদানৰ কৌশলেৰে চলিছিল নে ? তেখেতসকলে খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে দিনে ৰাতি অস্থিৰ আছিল আৰু সিহঁতৰ মাজৰ সাফল্যমণ্ডিত লোক খোদা তা'লাৰ মু'জিজাত (অলৌকিক ঘটনা)আৰু নিদৰ্শনসমূহৰ ভাগীদাৰী হৈছিল আৰু এয়াই সেই জীৱন আছিল যিয়ে সিহঁতক আন জাতিৰ পৰা পাৰ্থক্য কৰিছিল,কিন্তু আজি সেয়া কেনেধৰণৰ পাৰ্থক্য হয় যিয়ে মুছলমানসকলক,হিন্দু আৰু খ্ৰীষ্টান আৰু আন জাতিসমূহৰ মোকাবিলাত অৰ্জিত হৈছে ? যদি এনেকুৱা কোনো পাৰ্থক্য নহয় তেন্তে ইছলামৰ প্ৰয়োজন কিয় ? কিন্তু প্ৰকৃতপক্ষে এয়া এক পাৰ্থক্য হয়, কিন্তু মুছলমানসকলে তাক পাহৰি গৈছে,আৰু এয়া এনেকুৱা পাৰ্থক্য হয় যে ইছলামত চিৰস্থায়ী খোদা তা'লাৰ কালাম অব্যাহত আছে আৰু সৰ্বদা খোদা তা'লাৰ সৈতে পৰোক্ষভাৱে সম্পৰ্ক স্থাপন কৰিব পৰা যাব পাৰে,ৰছুলে কৰীম (ছাঃ)ৰ পৰা উপকাৰ হোৱাৰ এয়াই অৰ্থ হয়। তেখেত (ছাঃ)ৰ লাভালাভৰ এয়া অৰ্থ হ'ব নোৱাৰে যে এম,বি,এ বা এম,এৰ পৰীক্ষা উত্তীৰ্ণ কৰি লোৱা। এজন খ্ৰীষ্টান বি,এ বা এম,এ নহয় নে, তেখেত (ছাঃ)ৰ ফয়জান (লাভালাভৰ)এয়া অৰ্থ নহয় যে আমি কোনো ডাঙৰ কাৰখানা

চলাইছো। খ্ৰীষ্টান আৰু হিন্দু আৰু শিখ এনেকুৱা কাৰখানা চলোৱা নাই নে,তেখেত (ছাঃ)ৰ ফয়জানৰ এয়া অৰ্থ নহয় যে কোনো ডাঙৰ ব্যাপাৰ-বাণিজ্যৰ কোঠালি আমি খুলিছো আৰু দূৰ-দূৰন্ত ৰাষ্ট্ৰসমূহত আমি ব্যাপাৰ-বাণিজ্য জাৰি কৰি দিছো। এয়া হিন্দু,খ্ৰীষ্টান আৰু ইহুদীয়েও কৰি আছে। ৰছুলে কৰিম (ছাঃ)ৰ ফয়জানৰ এয়াই অৰ্থ হয় যে,তেখেত (ছাঃ)ৰ মাধ্যমে মানুহক খোদাৰ সৈতে পৰোক্ষ ভাৱে সম্পৰ্ক প্ৰতিষ্ঠিত যেন হৈ যায়। মানুহৰ হৃদয় খোদা তা'লাৰ ফালে দৃষ্টি কৰক তাৰ আত্মা তাৰ সৈতে প্ৰেম জগাওঁক। তেওঁ তাৰ সুদৃঢ় কালাম শুনক আৰু খোদা তা'লাৰ সতেজ নিদৰ্শনসমূহ আৰু আয়াত তেওঁৰ বাবে যেন প্ৰকাশ হয়। এয়া সেই বস্তু হয় যি মহম্মদ (ছাঃ)ৰ গোলাম অবিহনে কোনো ব্যক্তিক পৃথিৱীত অৰ্জিত হ'ব নোৱাৰে আৰু এয়াই সেই বস্তু য'ত মহম্মদ (ছাঃ)ৰ অনুসৰণ আন জাতিৰ পৰা পাৰ্থক্যমূলক। অৰ্থাৎ এই ফালে হজৰত মছীহ মাওউদ (আঃ)য়ে মুছলমানসকলক মনোযোগ আকৰ্ষণ কৰিছে আৰু এই বস্তুই নিজকে অস্বীকাৰকাৰী সকলৰ সন্মুখত উত্থাপন কৰিছে যে খোদা তা'লাই এই হেৰাই যোৱা মুকুতা মোক প্ৰদান কৰিছে আৰু বিনষ্ট হৈ যোৱা অনুসাৰী মোক প্ৰদান কৰিছে আৰু এই সকলোবোৰ মোক ৰছুলে কৰীম (ছাঃ)ৰ মাধ্যমে আৰু তেখেত (ছাঃ)ৰ অনুসৰণৰ ফলত পাইছো আৰু এই স্থান তেখেত (ছাঃ)ৰ ফয়জানে মোক চিনিব পাৰিছে। ইয়াৰ বাহিৰেও আৰু বহু পৰিমাণে কাম হজৰত মছীহ মাওউদ (আঃ)য়ে কৰিছে কিন্তু সেইবোৰ বিশেষ বিশেষ দক্ষতা ৰাখে,অৰ্থাৎ বহু গুৰুত্বপূৰ্ণ আৰু মহান হয়,কিন্তু আচল কাম এয়াই আছিল যে তেখেতে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়া আৰু উপাদানসমূহৰ ওপৰত আধ্যাত্মিকতাৰ বিজয় কৰাৰ প্লানিং আৰম্ভ কৰিছে আৰু নিশ্চয় ইছলাম আন ধৰ্মৰ ওপৰত বিজয় এই পথেৰেই হ'ব। আমি গুলি আৰু বন্ধুকেৰে যদিওবা আমাৰ ৰাষ্ট্ৰক প্ৰতিৰক্ষা কৰো আৰু

আমি কিছু কিছু শত্ৰুসকলৰ ওপৰত এই মাধ্যমেৰে বিজয়ও হৈ যাওঁ,কিন্তু গোটেই পৃথিৱীৰ বুকুত ইছলামৰ যি বিজয় হ'ব সেয়া এই আধ্যাত্মিক পদ্ধতিত অৰ্জিত হ'ব যাৰ ফালে হজৰত মছীহ মাওউদ (আঃ)য়ে মনোযোগ আকৰ্ষণ কৰিছে। যেতিয়া মুছলমান মুছলমান হৈ যাব,যেতিয়া সিহঁত ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়া আৰম্ভ কৰিব,যেতিয়া সেই আধ্যাত্মিক বস্তুক উপাদানৰ ওপৰত প্ৰাধান্য দিয়া আৰম্ভ কৰিব,তেতিয়া পাৰ্থিৱ জীৱন যি এতিয়া পশ্চিমীয়া জাতিসমূহৰ কাৰণে আমাৰ ৰাষ্ট্ৰও প্ৰতিবন্ধক হৈ আছে,সেয়া নিজে নিজেই নিঃশেষ হৈ যাব, আৰু মানুহ কাৰোবাৰ কোৱাৰ বাবে নহয় অৰ্থাৎ নিজেই নিজৰ প্ৰবৃত্তিৰ ইচ্ছুকৰ অধীন হৈ অযথাসমূহক এৰি দিব আৰু সৰলতা জীৱন অতিবাহিত কৰিব ধৰিব আৰু তেওঁৰ ভাষাত প্ৰভাৱ সৃষ্টি হৈ যাব আৰু তাৰ ওচৰ-চুবুৰীয়াসকলে তাৰ ৰং অৱলম্বন কৰিব আৰু খ্ৰীষ্টান,হিন্দু আৰু আন ধৰ্মসমূহৰ মানুহও এইদৰে যিদৰে মক্কাৰ মানুহে কৈছিল যে এয়া কোৱা আৰম্ভ কৰি দিব,(15:3)لَوْ كَانُوْا مُسْلِمِيْنَ۝ সম্ভৱত সিহঁত মুছলমান হৈ গ'ল হয়। তাৰ পিছত এই কলিমা মক্কাৰ মানুহৰ নিচিনা কাৰ্যলৈ পৰিণত হৈ যাব আৰু সিহঁত মুছলমান হৈ যাব কাৰণ কোনো ব্যক্তি বেছি সময়লৈকে ভাল কথাৰ পৰা আঁতৰ হৈ থাকিব নোৱাৰে,প্ৰথমে ইচ্ছা সৃষ্টি হয়,তাৰ পিছত লালস আহি যায়,তাৰ পিছত চেষ্টা আৰম্ভ হয় আৰু অৱশেষত লাহে লাহে মানুহ সেই বস্তুৰ ফালে আহিয়েই যায়। এয়াই এতিয়া হ'ব। প্ৰথমে ইছলাম মুছলমান মানুহৰ হৃদয়ত প্ৰৱেশ কৰিব তাৰ পিছত সিহঁতৰ শৰীৰত প্ৰভাম্বিত কৰিব,তাৰ পিছত অমুছলিম লোক নিজে নিজেই এনেকুৱা পৰিপূৰ্ণ মুছলমানসকলৰ নকল কৰাৰ ফালে আকৃষ্ট হৈ যাব আৰু পৃথিৱী মুছলমানেৰে ভৰ্তি হৈ পৰিব আৰু ইছলামেৰে পৰিপূৰ্ণ হৈ যাব।

হে প্ৰিয়সকল ! এই সৰু বিষয়াৱলীত বিস্তাৰিত দলিলসমূহ বৰ্ণনা কৰিব পৰা নাযায় আৰু আহমদীয়াতৰ পয়গামৰ সকলো অংশসমূহ আপোনাৰ

সন্মুখত উত্থাপন কৰিব নোৱাৰো। মই সুন্দৰ ভাৱে আহমদীয়তৰ উদ্দেশ্য আপোনালোকৰ সন্মুখত ৰাখি দিছো;আৰু মই আপোনাক নিবেদন কৰো যে এই বিষয়াৱলীৰ ওপৰত চিন্তা-ভাৱনা কৰা, পৃথিৱীত কেতিয়াও ধৰ্মীয় আন্দোলন কেৱল পৃথিৱীৰ অস্ত্ৰৰ দ্বাৰা বিজয় প্ৰদান হোৱা নাই। ধৰ্মীয় আন্দোলন প্ৰবৃত্তিৰ সংশোধন,তবলিগৰ সৈতে সদায় বিজয় হৈছে। আদম (আঃ)ৰ যুগৰ পৰা এতিয়ালৈকে যি হোৱা নাই সেয়া এতিয়াও নহ'ব আৰু যি পদ্ধতিত আজিলৈকে খোদা তা'লাৰ পয়গাম পৃথিৱীত বিস্তাৰিত হৈ আছে, এইদৰেই এতিয়াও মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ পয়গাম পৃথিৱীত বিস্তাৰ লাভ কৰিব। অৰ্থাৎ নিজৰ প্ৰাণৰ ওপৰত কৃপা কৰি,নিজৰ সন্তানৰ ওপৰত কৃপা কৰি,নিজৰ বংশধৰ আৰু নিজৰ জাতিসমূহৰ ওপৰত কৃপা কৰি,নিজৰ ৰাষ্ট্ৰৰ ওপৰত কৃপা কৰি খোদা তা'লাৰ পয়গামক শুনাৰ আৰু বুজাৰ চেষ্টা কৰক যাতে আল্লাহ তা'লাৰ কৃপাৰ দুৱাৰ আপোনাৰ বাবে অতি সোনকালে মুকলি হৈ যায় আৰু ইছলামৰ উন্নতি যেন পিছুৱাই নাযায়,এতিয়া বহু কাম আছে যি আমি কৰিবলগীয়া আছে কিন্তু তাৰ বাবে আমি আপোনাৰ আগমনৰ অপেক্ষাত আছো কাৰণ খোদাৰ উন্নতিৰ বাহিৰে দ্বীনৰ নিদৰ্শনসমূহ প্ৰচাৰ-প্ৰসাৰৰ সৈতে সম্পৰ্ক ৰাখে। আপুনি আহঁক আৰু এই বোজাক আমাৰ সৈতে মিলিত হৈ উঠাওঁক যি বোজাক উঠোৱা ইছলামৰ উন্নতিৰ বাবে জৰুৰী হয়। যদিওবা কোৰবাণী,ভাল বেয়া,আৰু সভ্যতা এইসকলোবোৰ দেখা এই বাটত জৰুৰী হয়, কিন্তু খোদা তা'লাৰ বাটত মৃত্যুয়েই প্ৰকৃত জীৱন প্ৰদান কৰে আৰু এই মৃত্যুক অৱলম্বন কৰা অবিহনে কোনো ব্যক্তি খোদা তা'লাক প্ৰাপ্ত কৰিব নোৱাৰে। আৰু এই মৃত্যুক অৱলম্বন কৰা অবিহনে ইছলাম বিজয় লাভ কৰিব নোৱাৰে। সাহস কৰক আৰু মৃত্যুৰ এই পিয়লাক মুখৰ সৈতে লগাই লওঁক যাতে আমাৰ আৰু আপোনাৰ মৃত্যুৰ পৰা ইছলামৰ জীৱন অৰ্জিত হয় আৰু মহম্মদ (ছাঃ)ৰ ধৰ্ম আকৌ

সতেজ হৈ যায় আৰু এই মৃত্যুক গ্ৰহণ কৰি আমিও নিজৰ প্ৰেমিকৰ কোলত আৰম্ভণী জীৱনৰ উৎসা উপভোগ কৰিব পাৰো। আল্লাহুম্মা আমিন-

**খাকছাৰ**
**মিৰ্জা মাহ্মুদ আহমদ**
**ইমাম জামাত আহ্মদীয়া**
**২৭ অক্টোবৰ চন ১৯৪৮ ইং (আলফজল ৬ নৱেম্বৰ ১৯৪৮)**